Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, JANUARY 20, 2025 ■ সোমবাৰ, ৬ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২৪ Guwahati, Assam ।। মূল্যঃ এটকা

## দিল্লীত শ্বিলঙৰ কিশোৰীক নির্যাতন!

নতুন দিল্লী, ১৯ জানুৱাৰীঃ ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ বাবে নতুন দিল্লীলৈ যোৱা মেঘালয়ৰ এগৰাকী ৫ পৃষ্ঠাত চাওক

## জিপি সিং চিআৰপিএফৰ সঞ্চালক

ই-সংবাদ, ১৯ জানুৱাৰীঃ ২০১৯ চনৰ শেষ ভাগত নাগৰিকত্ব সংশোধনী বিধেয়ক শেষাংশ ৪ পৃষ্ঠাত

## গ্ৰেপ্তাৰ হ'ল দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি ছুক

ছিউল, ১৯ জানুৱাৰীঃ দক্ষিণ কোৰিয়াৰ ৰাজনীতিত ধুমুহা সৃষ্টি কৰি দেশখনৰ ৪ পৃষ্ঠাত



## মহাকুম্ভত ভয়ংকৰ জুই

প্ৰয়াগৰাজ, ১৯ জানুৱাৰীঃ দেওবাৰে বিয়লি প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত সংঘটিত ভয়ংকৰ ৩ পৃষ্ঠাত চাওক



নদাই ঐ, ভদাই ঐ... আজি মই ওলালো নতুন এঘৰলৈ...

### ৰাজ্যত আকৌ হিট এণ্ড ৰানৰ ঘটনা

## বিজেপিৰ বিধায়কৰ পত্নীৰ গাড়ীৰ খুন্দাত প্ৰাণ গ'ল বিজেপি কৰ্মীৰ

ই-সংবাদ, ১৯ জানুৱাৰীঃ পুনৰ ৰাজ্যত এক শিহৰণকাৰী হিট এণ্ড ৰানৰ ঘটনা সংঘটিত হৈছে। হিট এণ্ড ৰানৰ ঘটনা শেষাংশ ২ পৃষ্ঠাত




### মোবাইলত ভিডিঅ' কৰি ফেচবুকত আপলোড কৰে আৱেগিক অসমীয়াই

# ট্ৰাকত উঠি আমাৰ হাতী আম্বানিৰ ঘৰলৈ যায়!

### ■ গুজৰাটলৈ হাতী নি থকাৰ সময়তে 'হাতীবন্ধু'ক 'মন কী বাত'ত প্ৰশংসা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ



ই-সংবাদ বিশেষ, ১৯ জানুৱাৰীঃ হাতীত উঠি পানীৰাম ঘৰলৈ যায়, আলিবাটৰ মানুহে ঘূৰি ঘূৰি চাই... কথাবোৰ এতিয়া সলনি হ'ল। এতিয়া গুজৰাটৰ পৰা অহা ট্ৰাকত উঠি অসমৰ হাতী আম্বানিৰ ২ পৃষ্ঠাত চাওক

### হিন্দু নাম লৈ বাস কৰিছিল মুম্বাইত

## ছইফ আলী খানক আক্ৰমণ কৰা বাংলাদেশী শ্বৰিফুলক গ্ৰেপ্তাৰ



মুম্বাই, ১৯ জানুৱাৰীঃ বলিউডৰ অভিনেতা ছইফ আলী খানৰ বান্দ্ৰাস্থিত বাসগৃহত প্ৰৱেশ কৰি আক্ৰমণ ৩ পৃষ্ঠাত চাওক

### কৃত্ৰিম বানপো হাংগাং উদ্যান পৰিদৰ্শন

## ছিউলত এডভান্টেজ আছামৰ প্ৰচাৰ মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ১৯ জানুৱাৰীঃ ১৮ জানুৱাৰীৰ নিশা এছিয়াৰ দুখন দেশত এডভান্টেজ অসাম ২.০ সন্মিলনৰ প্ৰচাৰৰ বাবে উৰা মাৰে মুখ্যমন্ত্ৰী হিমন্ত ৪ পৃষ্ঠাত



ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## ৰাষ্ট্ৰীয় ক্ৰীড়াত অশংগ্ৰহণকাৰীক কিট বিতৰণ

ই-সংবাদ, ১৯ জানুৱাৰীঃ উত্তৰাখণ্ডত ২৮ জানুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ ৩৮ তম ৰাষ্ট্ৰীয় ক্ৰীড়া ৬ পৃষ্ঠাত

## লক্ষ্য বিটিচি নিৰ্বাচন! হাগ্ৰামা বাহিনী সাজু

ই-সংবাদ, কোকৰাঝাৰ, ১৯ জানুৱাৰীঃ ২০২৫ চনত যেনে-তেনে বিপিএফ দলে চৰকাৰ গঠন কৰিব ৬ পৃষ্ঠাত

## হঠাৎ তৎপৰ হ'ল ডিজিপি জিপি সিং! ৭ দিনত ৰেট হোল মাইনিং বন্ধৰ কঠোৰ নিৰ্দেশ

ই-সংবাদ, ১৯ জানুৱাৰীঃ পাপৰ ধনেৰে বিঘাই বিঘাই মাটি কিনিলে। গুৱাহাটী ঘৰ-দুৱাৰ কৰিলে। বিলাসী গাড়ী কিনিলে। ভ্ৰমণ বিলাস কৰিলে। শেষাংশ ৫ পৃষ্ঠাত



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাকত উঠি আমাৰ হাতী আম্বানিৰ

চিৰিয়াখানালৈ যায় আৰু আলিবাটত মোবাইলেৰে ভিডিঅ' ৰেকৰ্ড কৰি ফেচবুকত আপলোড দিয়েই ক্ষান্ত থাকে আৱেগিক অসমীয়াই। হাতীৰ লগত আসমীয়া জাতিৰ এক আৱেগিক সম্পৰ্ক আছে। হাতীয়ে অসমীয়া মানুহৰ বশ লয়। সহায় কৰে। আগতে হাতী নহ'লে মাংগলিক অনুষ্ঠান অনুষ্ঠিত নহৈছিল। বিয়াৰ দৰাও গৈছিল হাতীত। অকল সেয়াই নহয়, ৰজা-মহাৰজাসকলে হাতীৰ পিঠিত উঠিয়েই এঠাইৰ পৰা আন ঠাইলৈ গৈছিল আৰু যুদ্ধ-বিগ্ৰহো কৰিছিল। সেয়েহে হাতীক সৰবজান বুলি গণ্য কৰে অসমীয়া মানুহে। অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক হাতীক লৈ বহু ৰূপকথা আছে। হস্তী বিদ্যাৰ্ণৱ নামৰ গ্ৰন্থত হাতীৰ লগত মানুহৰ কি নিবিড় সম্পৰ্ক সেয়া যুগ যুগ বছৰ আগতেই লিপিৰদ্ধ হৈছে। আগতে হাতী ধৰিবলৈ কোনো অনুমতিৰ প্ৰয়োজন নাছিল যদিও পৰৱৰ্তী সময়ত বন আৰু পৰিৱেশ উন্নয়ন বিভাগে হাতী ধৰাৰ ক্ষেত্ৰত বাধ্য-বাধকতা আনিলে। উচ্চতম ন্যায়ালয়েও হাতীৰ সংৰক্ষণত গুৰুত্ব দি বনৰীয়া হাতী ধৰাতো বন্ধ কৰি ৰাখিছে। তাৰ মাজতে যিখিনি হাতী ঘৰচীয়া হিচাপে আছে সেই হাতীসমূহে কাজিৰঙা, পবিতৰা, মানাহ আদি অভয়াৰণ্যত পৰ্যটকক জীৱ-জন্তু দেখুওৱাত সাৰথি হৈ আহিছে। কিন্তু ৰাজ্য চৰকাৰে এই হাতীৰ মালিক আৰু মাউতসকলক হাতী পোহপাল দিবৰ বাবে কোনোধৰণৰ সাহায্য প্ৰদান নকৰা বাবে অসমৰ বেছিভাগ হাতী অৰুণাচললৈ লৈ যোৱা হয়। অৰুণাচলত পাহাৰৰ ওপৰত গছ কাটি কঢ়িওৱাৰ কামত অসমৰ হাতী ব্যৱহাৰ কৰা হয়। এতিয়া অৰুণাচলত হাতীৰ মালিকৰ জীৱিকাৰ কাৰক হৈ পৰা হাতীসমূহকে গুজৰাটৰ জামনগৰলৈ লৈ যোৱা হৈছে। আম্বানিৰ চিৰিয়াখানাত এই হাতীসমূহক কামত লগোৱা হ'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জলবায়ুত ডাঙৰ-দীঘল হোৱা এই হাতীসমূহ গুজৰাটত সুস্থ অৱস্থাত থাকিব নে নাথাকে সেই লৈ এতিয়ালৈকে কোনো প্ৰকৃতিপ্ৰেমী সংগঠনে প্ৰশ্ন কৰা নাই। বিগত বৰ্ষত অসমৰ ১৪টা হাতী হাতীৰ অৰুণাচলত নথি-পত্ৰ তৈয়াৰ কৰি গুজৰাটলৈ লৈ যোৱা হৈছিল। এইবাৰ প্ৰায় ৩৩টা হাতী গুজৰাটলৈ নিয়া হৈছে। এতিয়া প্ৰশ্ন হৈছে ইমান হাতী আম্বানিৰ ছিৰিয়াখানাত কি কামত ব্যৱহাৰ কৰা হ'ব? নিশ্চয় এই হাতীসমূহক পৰ্যটকক ছিৰিয়াখানা দেখুওৱা কামত ব্যৱহাৰ কৰা হ'ব। এক ডাঙৰ ব্যৱসায়িক অংকৰে আম্বানি গ্ৰুপে অসমৰ পৰা হাতীসমূহ লৈ গৈছে। ৰাজ্য চৰকাৰৰ বন বিভাগে কমিছনৰ হিচাপ কৰি নিশ্চয় হাতীসমূহ ওলাই যোৱাৰ অনুমতি প্ৰদান কৰিছে। কিন্তু পৰিৱেশ আৰু বন্য জন্তু সংৰক্ষণৰ কাম কৰা সংগঠনসমূহ নিমাত কিয়? অসমৰ সম্পদ এইদৰে বহিঃৰাজ্যলৈ ব্যৱসায়িক স্বাৰ্থত লৈ যোৱাৰ ক্ষেত্ৰত জাতীয় সংগঠনসমূহে মাত মতা নাই কিয়? এই প্ৰশ্নৰ উত্তৰত নিশ্চয় চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু ৰাজনৈতিক নেতাৰ লগতে দল-সংগঠনৰ নেতৃত্বৰ লেদনেদৰ কথা আহি পৰিব। ২৩খন বৃহৎ বৃহৎ গাড়ীত আৰক্ষীয়ে ছাইৰেন বজাই হাতীৰ লগতে আন আন বনৰীয়া জন্তু গুজৰাটলৈ লৈ যোৱাৰ বিষয়টো এতিয়ালৈকে কোনেও তদন্তৰ দাবী কৰা নাই। পূৰ্বতেও এইদৰে গুজৰাটত থকা আম্বানিৰ ছিৰিয়াখানালৈ অসমৰ দুষ্প্ৰাপ্য জীৱ ঘোং, গঁড়, সোণালী বান্দৰ আদি লৈ যোৱা হৈছিল। অসম চৰকাৰৰ লগত গুজৰাটত থকা আম্বানিৰ ছিৰিয়াখানাই কি চুক্তি কৰিছিল সেয়া ৰাজহুৱা কৰাৰ দাবী উত্থাপন হৈছে যদিও সেই সময়ৰ সৰ্বানন্দ সোণোৱালৰ নেতৃত্বৰ চৰকাৰৰ পৰা বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে বিষয়টো গুৰুত্বই প্ৰদান নকৰিলে। ইয়াৰ বিপৰীতে বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি আজিও গুৱাহাটী মহানগৰৰ মাজেৰে আৰক্ষীৰ বেষ্টনীৰ মাজেৰে লৈ যোৱা হ'ল হাতী আৰু আন আন জীৱ-জন্তু কঢ়িয়াই নিয়া বাহন।

**'মন কী বাত'ত হাতীবন্ধুৰ উদ্যোগক প্ৰশংসা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ**

আজি ২৩ খন এনিমেল এম্বুলেন্সেৰে অসম আৰু উত্তৰ-পূবৰ ৩৩টা হাতী গুজৰাটৰ আম্বানিৰ চিৰিয়াখানালৈ নি থকাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ হাতী সুৰক্ষাৰ প্ৰসংগ উল্লেখ কৰে। বহু লোকে ৰাজপথত জীৱ-জন্তু কঢ়িওৱা গুজৰাটৰ গাড়ী প্ৰত্যক্ষ কৰি আৱেগিক হোৱাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰেডিঅ'ৰ অনুষ্ঠান 'মন কী বাত' অসমৰ হাতীবন্ধুৰ উদ্যোগৰ কথা উল্লেখ কৰি প্ৰশংসা কৰে। অসমৰ হাতী সুৰক্ষা আৰু হাতী-মানুহৰ সংঘাত নিৰাময়ৰ বাবে লোৱা পদক্ষেপৰ প্ৰসংগ উল্লেখ কৰি নৰেন্দ্ৰ মোদীয়ে নগাঁও আৰু কাৰ্বি আংলং জিলাৰ ৩০ হেক্টৰ ব্যক্তিগত ভূমিত হাতীৰ বাবে খাদ্য, শস্য ৰোপণ কৰা কাৰ্যক প্ৰশংসা কৰে। মানুহ-হাতীৰ সংঘাত কমাবলৈ এই পদক্ষেপ লোৱা হৈছে। নগাঁও আৰু কাৰ্বি আংলঙত ৩০ হেক্টৰ ব্যক্তিগত ভূমিত হাতীৰ বাবে উপযোগী হোৱাকৈ খাদ্যশস্য ৰোপণ কৰা হৈছে। হাতীৰ খাদ্যৰ সহজ উপায় নিশ্চিত কৰি জনসাধাৰণৰ ফচল নষ্ট হোৱাৰ ঘটনা হ্ৰাস কৰিবলৈ সক্ষম হৈছে। এই উদ্যোগ গ্ৰহণ কৰাত নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমামূৰীয়া অঞ্চলৰ প্ৰায় ৮ হাজাৰ লোক লাভান্বিত হৈছে বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ বিধায়কৰ পত্নীৰ গাড়ীৰ

সংঘটিত কৰি ৰাজকন্যা বৰুৱা নামৰ এগৰাকী বহু চৰ্চিত যুৱতী জেললৈ যাবলগীয়া হৈছিল আৰু এই ঘটনাৰ লগত জড়িত বিশেষকৈ ৰাজকন্যাক সুৰক্ষা দিয়াৰ অভিযোগত ৰাজ্যৰ এজন সুখ্যাত চিকিৎসকো আৰক্ষীৰ হাৰাশাস্তিৰ সন্মুখীন হৈছিল। সম্প্ৰতি এজন কেবিনেট মন্ত্ৰী পৰ্যায়ৰ বিধায়কৰ পত্নীৰ নামত থকা গাড়ীৰ খুন্দাত এজন নিৰীহৰ মৃত্যু হৈছে। আজি দিনৰ ভাগত নৃপেন দৈমাৰী নামৰ চতিয়া চেঙামাৰীৰ দুৰ্ভগীয়া লোকজনে বাইক চলাই আহি থকাৰ সময়ত নাগশংকৰৰ ওচৰত বগা ৰঙৰ এএছ ০১ ইবি ১৯১৯ নম্বৰৰ গাড়ীখনে প্ৰচণ্ড গতিত খুন্দা মাৰে আৰু লোকজনৰ থিতাতে মৃত্যু হয়। এই বিশেষ বগা ৰঙৰ স্কৰ্পিঅ' গাড়ীখন নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ পত্নী স্মৃতিৰেখা হাজৰিকাৰ নামত পঞ্জীয়ন হৈ আছে। প্ৰত্যক্ষদৰ্শীয়ে অভিযোগ কৰা মতে বাইকখনে নাগশংকৰৰ ওচৰত ঘূৰিবলৈ গতিবেগ হ্ৰাস কৰাৰ সময়তে স্কৰপিঅ'খনে খুন্দা মাৰে। খুন্দা মৰা গাড়ী চালকজনে টেলিফোনযোগে কাৰোবাক ঘটনাৰ সবিশেষ জনোৱাত এখন আৰক্ষীৰ গাড়ী আহি গাড়ী চালকজনক সেই স্থানৰ পৰা লৈ যায়। বিধায়ক পদ্ম হাজৰিকাৰ পত্নীৰ নামত থকা গাড়ীখন সেই সময়ত কোনে চলাই লৈ আহিছিল সেই লৈ এতিয়া প্ৰশ্ন উত্থাপন হৈছে। একাংশ প্ৰত্যক্ষদৰ্শীয়ে অৱশ্যে বিধায়ক পদ্ম হাজৰিকাৰ পুত্ৰই গাড়ীখন চলাই আহিছিল বুলি মন্তব্য কৰিছে। লক্ষণীয়ভাৱে নৃপেন দৈমাৰী নামৰ যিজন লোকৰ মৃত্যু হৈছে তেওঁ ভাৰতীয় জনতা পাৰ্টীৰ এজন সক্ৰিয় কৰ্মকৰ্তা। সৰু-সুৰা ব্যৱসায় কৰি চলি থকা এই লোকজনক চিকিৎসালয়লৈ নিয়াৰ পৰিৱৰ্তে এজন দায়িত্বশীল বিধায়কৰ পত্নীৰ গাড়ী চালকজনে কিয় আহত লোকজনক এৰি থৈ পলায়ন কৰিলে তাক লৈ প্ৰশ্ন উত্থাপন হৈছে। ঘটনাটোক লৈ স্থানীয় ৰাইজে তদন্ত হোৱাতো বিচাৰিছে।

# ডিব্ৰুগড়ত মধুমিতা সংঘৰ উদ্যোগত শিল্পী দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ১৯ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ অন্যতম পুৰণি মধুমিতা সংঘৰ উদ্যোগত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ মৃত্যু দিৱস আড়ম্বৰপূৰ্ণভাৱে সংঘৰ নিজ কাৰ্যালয়ত ১৮ জানুৱাৰীত পালন কৰে। ১৯৭০ চনতে ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰত স্থাপিত মহিলা সংগঠন "মধুমিতা সঙ্ঘ"ই ৪৫ টা বসন্ত গৰকে। এই উদ্দেশ্যে সংঘৰ সম্পাদিকা ৰূপালী ভট্টাচাৰ্যই ৰূপকোঁৱৰৰ সৃষ্টিৰাজিক সজীৱ কৰি ৰখাৰ লগত সেইবোৰ সংবৰ্ধনৰ আৰু সংৰক্ষণ কৰাৰ ওপৰত গুৰুত্বআৰোপ কৰি ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানত মধুমিতা সঙ্ঘৰ মুখ্য উপদেষ্টা কুমকুম দত্তই বন্তি প্ৰজ্বলন কৰাৰ লগতে সমূহ সদস্যাই বন্তি প্ৰজ্বলনত সহযোগিতা আগবঢ়ায়। সভানেত্ৰী জোনালী খাউণ্ডে ৰূপকোঁৱৰৰ বিষয়ে জানিব গীয়া বহুকথা অৱগত কৰে। সমৱেত সংগীত, নৃত্য -গীত কবিতা আবৃত্তিৰে সৌষ্ঠৱ বৃদ্ধি কৰি অনুষ্ঠানটি মুখৰিত কৰি তোলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাকুম্ভত ভয়ংকৰ জুই

অগ্নিকাণ্ডৰ ঘটনাই সৃষ্টি কৰে তীব্ৰ আতংকৰ। ছেক্টৰ ১৯ত চিলিণ্ডাৰ বিস্ফোৰণৰ ফলত সূত্ৰপাত ঘটা অগ্নিকাণ্ডত মুহূৰ্তৰ ভিতৰতে জ্বলি ছাই হৈ পৰে কেইবাটাও তম্বু। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ পৰ্যালোচনা কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি, দেওবাৰে বিয়লি ৪ বজাত গীতা প্ৰেছৰ তম্বুত হঠাতে সংঘটিত হয় এক বিস্ফোৰণ। ইয়াৰ পিছতে জুইৰ শিখাই নিমিষতে আগুৰি ধৰে ওচৰৰ কমেও দহটা তম্বু। আখৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মিশ্ৰই জানিবলৈ দিয়া মতে, দুটা চিলিণ্ডাৰ বিস্ফোৰণৰ ফলত অগ্নিকাণ্ডই বিভীষিকাৰ ৰূপ লয়। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত হোৱা নাই। ইফালে অগ্নিকাণ্ডৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী আৰু প্ৰশাসনৰ দল উপস্থিত হয়। জিলা দণ্ডাধীশ ৰবীন্দ্ৰ কুমাৰে জানিবলৈ দিয়া মতে, জুই নিৰ্বাপন কৰা হৈছে। ক্ষতিৰ পৰিসৰ এতিয়াও নিৰ্ণয় কৰা হোৱা নাই। মহাকুম্ভ মেলাৰ ডিআইজি বৈভৱ কৃষ্ণই কয় যে প্ৰায় ১৫খন অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিয়ন্ত্ৰণ কৰে। অন্যহাতে খোদ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সেই স্থানত উপস্থিত হৈ পৰিস্থিতি পৰিদৰ্শন কৰি প্ৰশাসনিক বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। জুই নিৰ্বাপনৰ লগত জড়িত অগ্নিনিৰ্বাপক বাহিনীৰ ক্ষীপ্ৰ পদক্ষেপক তেওঁ প্ৰশংসা কৰে। প্ৰসংগক্ৰমে ৪৫ দিনীয়া মহাকুম্ভ মেলাৰ আৰম্ভণি হৈছিল ১৩ জানুৱাৰী অৰ্থাৎ পৌশ পূৰ্ণিমাৰ দিনটোৰ পৰা। কিন্তু এই ভয়ংকৰ অগ্নিকাণ্ডই মেলাত উপস্থিত সাধু-সন্ত আৰু ভক্তসকলৰ মাজত আতংকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। আজিৰ এই অগ্নিকাণ্ডক লৈ সমগ্ৰ মেলাত আতংকৰ পৰিৱেশে বিৰাজ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছইফ আলী খানক আক্ৰমণ কৰা

সংঘটিত কৰা ৩০ বৰ্ষীয় অভিযুক্ত শ্বৰিফুল ইছলাম শ্বাহজাদক গ্ৰেপ্তাৰ কৰিছে মুম্বাই আৰক্ষীয়ে। থানেৰ ঘোড়বন্দৰ ৰোডৰ হীৰনন্দানী অঞ্চলৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে অভিযুক্তক। ইফালে, এই ঘটনাৰ তদন্তত পোহৰলৈ আহিছে ন ন তথ্য। ধৃত আক্ৰমণকাৰীজন বাংলাদেশী নাগৰিক বুলি সন্দেহ কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে জনোৱা মতে, বাংলাদেশৰ পৰা অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা শ্বৰিফুলে নিজৰ পৰিচয় লুকুৱাবলৈ বিজয় দাস নামৰ ছদ্ম নাম ব্যৱহাৰ কৰিছিল। আৰক্ষী উপায়ুক্ত দীক্ষিত গেদামে জনোৱা মতে, ১৬ জানুৱাৰীৰ পুৱা ২ বজাত ছইফ আলী খানক তেওঁৰ ঘৰত আক্ৰমণ কৰা হৈছিল। চুৰি কৰাৰ উদ্দেশ্যেৰে ঘৰত প্ৰৱেশ কৰিছিল আক্ৰমণকাৰীয়ে। আৰক্ষী বিষয়াগৰাকীয়ে সংবাদমেলত কয়, "আমি সন্দেহ কৰা অনুসৰি অভিযুক্তজন বাংলাদেশী নাগৰিক। তেওঁৰ হাতত কোনো বৈধ ভাৰতীয় নথি-পত্ৰ নাই। আৰক্ষীৰ প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পাইছে যে শ্বৰীফুল বাংলাদেশৰ জালোকাঠী জিলাৰ ৰাজবাৰিয়া গাঁৱৰ বাসিন্দা। ভাৰতত প্ৰৱেশ কৰাৰ পিছত তেওঁ নিজৰ নাম সলনি কৰি বিজয় দাস কৰি লৈছিল।" উল্লেখ্য যে, ১৬ জানুৱাৰীৰ নিশা অভিনেতাজনক উপৰ্যুপৰি চুৰীকাঘাত কৰাৰ পিছৰে পৰা ৭০ ঘন্টা ধৰি পলাতক অৱস্থাত আছিল অভিযুক্ত। তদন্তত প্ৰকাশ পাইছে যে তেওঁ নিজৰ স্থান সলনি কৰি দাদৰ, ৱৰ্লি আৰু থানেৰ বিভিন্ন ঠাইলৈ লৈ গৈছিল। শনিবাৰে নিশা হীৰানন্দানী অঞ্চলৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে অভিযুক্তজনক। ডিচিপি গেদামে সংবাদ মেলত কয় যে বাংলাদেশী নাগৰিক অভিযুক্তজনে ৫-৬ মাহ পূৰ্বে মুম্বাইলৈ আহি বিভিন্ন সৰু সৰু কাম কৰি আছিল। অভিযুক্তই এটা হাউচকিপিং এজেন্সীত কাম কৰি নিজৰ পৰিচয় লুকুৱাই ৰাখিছিল। ইফালে, বিজয় দাস ওৰফে শ্বৰীফুলৰ গ্ৰেপ্তাৰৰ পিছতে অভিযুক্তৰ ঘনিষ্ঠ বন্ধু তথা প্ৰাক্তন সহকৰ্মী ৰহমত খানে কয়, 'মই ছইফ আলী খানৰ ওপৰত হোৱা আক্ৰমণৰ খবৰ চাই আছিলো আৰু ভাবিছিলো যে ইমান হাই প্ৰফাইল ব্যক্তিৰ ঘৰত কোনে প্ৰৱেশ কৰি এই কাম কৰিব পৰে। শ্বৰীফুলক মই যিমানদূৰ চিনি পাওঁ, মই কেতিয়াও ভবা নাছিলো যে তেওঁ ইমান ডাঙৰ অপৰাধ কৰিব পাৰিব। তেওঁ বৰ শান্ত স্বভাৱৰ ব্যক্তি আছিল আৰু কামতো পাকৈত আছিল।" অভিযুক্তৰ সহযোগীসকলেও কয় যে কামৰ সময়ত শ্বৰীফুলে কাৰো লগত কাজিয়া কৰা নাছিল আৰু তেওঁৰ আচৰণো স্বাভাৱিক আছিল। কিন্তু তেওঁ কেতিয়াও নিজৰ অতীত বা পৰিয়ালৰ বিষয়ে একো কোৱা নাছিল। থানেৰ ব্লেবাৰ অল ডে ৰেষ্টুৰেণ্টৰ মেনেজাৰ নেলছন ছালধানাই কয় যে অভিযুক্তক তৃতীয় পক্ষৰ এজেন্সীয়ে হোটেলত হাউচকিপিঙত নিযুক্তি দিছিল। তেওঁৰ কামৰ সময়ত কোনো অভিযোগ পোৱা হোৱা নাছিল। কিন্তু ১৫ ডিচেম্বৰত এজেন্সীৰ সৈতে চুক্তি বাতিল হোৱাৰ সময়ত শ্বৰীফুল ওৰফে বিজয়েও কাম বাদ দিয়ে। অন্যহাতে অভিযুক্ত বাংলাদেশী নাগৰিক বুলি আৰক্ষীয়ে কৰা দাবী খাৰিজ কৰিছে অভিযুক্তৰ অধিবক্তাই। তেওঁ কয় যে বিজয় দাস পশ্চিমবংগৰ বাসিন্দা, বাংলাদেশী বুলি আৰক্ষীৰ হাতত কোনো প্ৰমাণ নাই। যোৱা সাত বছৰ ধৰি তেওঁ মুম্বাইত বাস কৰি অহা বুলি দাবী কৰে অধিবক্তাই। ইফালে দেওবাৰে অভিযুক্তক আদালতত হাজিৰ কৰোৱায় আৰক্ষীয়ে। ঘটনাৰ অধিক তদন্তৰ বাবে আৰক্ষীয়ে অভিযুক্তক ত্ৰিশ দিনৰ জিম্মাত বিচাৰে যদিও আদালতে পাঁচ দিনৰ আৰক্ষী জিম্মালৈ শ্বৰীফুল ওৰফে বিজয় দাসক প্ৰেৰণ কৰিছে। অন্যহাতে সম্প্ৰতি বিপদৰ পৰা মুক্ত হৈছে মুম্বাইৰ লীলাৱতি হাস্পতালত চিকিৎসাধীন হৈ থকা অভিনেতা ছইফ আলী খান। বিপদমুক্ত হ'লেও ঘটনাটোক লৈ সমগ্ৰ দেশতে অব্যাহত আছে চাঞ্চল্য।

# চিআৰপিএফৰ সঞ্চালক পদত যোগদানৰ পূৰ্বে শিৱসাগৰত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিং

**ই-সংবাদ, শিৱসাগৰ, ১৯ জানুৱাৰীঃ** অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিং আজি শিৱসাগৰত উপস্থিত হৈ আৰক্ষী বিভাগৰ বিষয়াসকলৰ লগত আলোচনাত মিলিত হয়। তাৰ পিছতেই তেওঁ ঐতিহাসিক শিৱদ'লত উপস্থিত হৈ মহাদেৱ শিৱক প্ৰাৰ্থনা জনায়। উল্লেখ্য যে জি পি সিঙে শীঘ্ৰেই যোগদান কৰিব চিআৰপিএফৰ সঞ্চালক হিচাপে। অসম এৰাৰ পূৰ্বে আজি শিৱসাগৰত উপস্থিত হয়হি তেওঁ। শিৱসাগৰৰ আৰক্ষীৰ অতিথিশালাত জি পি সিঙক বিদায় সম্বৰ্ধনা জনোৱা হয়। আজি এই সম্বৰ্ধনা অনুষ্ঠানত শিৱসাগৰ আৰু চৰাইদেউৰ উচ্চপদস্থ আৰক্ষী বিষয়া, শিৱসাগৰ জিলা আয়ুক্ত আয়ুস গৰ্গৰ সৈতে আহাৰ গ্ৰহণ কৰে জি পি সিঙে। আগন্তুক গণৰাজ্য দিৱস আৰু নিৰাপত্তা সন্দৰ্ভতো তেওঁ এক আলোচনাত মিলিত হয়। ইয়াৰ পিছতে শিৱসাগৰৰ ঐতিহাসিক শিৱদ'লত উপস্থিত হৈ মহাদেৱৰ আশিস লয়। সংবাদ মাধ্যমৰ আগত তেওঁ অসমৰ মানুহৰ মৰম-চেনেহৰ শলাগ লয়। নিজেই অসমৰ মানুহৰ পৰা মৰমৰ ব্যৱহাৰ শিকাৰ লগতে দুই তনয়াই অসমৰ মানুহৰ পৰা বহু কথা শিকে বুলি মন্তব্য কৰে। আগন্তুক গণৰাজ্য দিৱস সন্দৰ্ভত তেওঁ কয় যে, অসম এতিয়া উন্নয়নৰ দিশে আগবাঢ়িছে। কোনো সংগঠনে কুটাঘাটমুলক কাৰ্য নকৰে বুলি তেওঁ আশাবাদী। সশস্ত্ৰ সংগঠন সমূহক কুটাঘাতমূলক কাৰ্যৰ পৰা বিৰত থাকিবলৈ তেওঁ আহ্বান জনায়। সমগ্ৰ উজনি অসমৰ পৰিৱেশ পৰিস্থিতি অধ্যয়ন তথা নিৰীক্ষণ কৰি থকাৰ কথা সিঙে ব্যক্ত কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জিপি সিং চিআৰপিএফৰ সঞ্চালক

আন্দোলনৰ ফলত অসমত অগ্নিগৰ্ভা পৰিস্থিতিৰ সৃষ্টি হোৱাৰ ৰবিন হুদ ৰূপে অসমত উপস্থিত হৈ কেইটামান ঘণ্টাৰ ভিতৰতে আন্দোলন তচ-নচ কৰিছিল অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে। অসমত ভৰি থোৱাৰ পিছতে গুৱাহাটীৰ কেইবাঠাইত আৰক্ষীৰ বন্দুকৰ পৰা গুলী ওলাইছিল। ৰাজপথত ঢলি পৰিছিল ৫ তেজাল যুৱক। ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাত মহাপৰিদৰ্শক হিচাপেও কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়তে ২০১৯ চনৰ ডিচেম্বৰ মাহত নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধী আন্দোলনক দমন কৰিবলৈ অসমত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) হিচাপে ঘূৰাই অনা হৈছিল। নিৰ্দেশ পোৱাৰ পিছতে টুইট কৰিছিল'অসমলৈ ঘূৰি আহিছো, কৰ্মভূমি।' সিঙে অসমত ভৰি থোৱাৰ পিছতে ১৭ বছৰীয়া চেম ষ্টেফৰ্ডসহ ৫ যুৱক শ্বহীদ হৈছিল। সেইগৰাকী জি.পি সিঙক কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে গুৰু দায়িত্ব প্ৰদান কৰিছে। চিআৰপিএফৰ সঞ্চালক প্ৰধান নিযুক্তি দিয়া হৈছে জি.পি সিঙক। নিৰ্দেশনা প্ৰকাশ পালেও বৰ্তমানেও অসম এৰি নাযায় সিঙে। গণৰাজ্য দিৱসলৈ অসমৰ আৰক্ষী সঞ্চালক প্ৰধান হৈয়ে থাকিব সিং। সিঙে এছপিজিৰ সৈতেও কাম কৰিছে। ২০১৩ চনৰ পৰা ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ (এনআইএ) মহাপৰিদৰ্শক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ১৮ জানুৱাৰীত জ্যেষ্ঠ আইপিএছ বিষয়া জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিছে। কৰ্মচাৰী মন্ত্ৰালয়ে এক নিৰ্দেশত এই কথা প্ৰকাশ কৰিছে। গৃহ মন্ত্ৰালয়ে নাম প্ৰস্তাৱৰ পিছতে কেন্দ্ৰীয় কেবিনেট নিযুক্তি সমিতিৰ অনুমোদনত নিযুক্তি দিয়া হয়। ১৮ জানুৱাৰীত জাৰি কৰা এক নিৰ্দেশত কেবিনেটৰ নিযুক্তি সমিতিয়ে অৱসৰৰ তাৰিখলৈকে চিআৰপিএফৰ ডিজি হিচাপে জি পি সিঙক দৰমহা মেট্ৰিক্সৰ স্তৰ-১৬ত নিযুক্তি দিয়াৰ বাবে গৃহ মন্ত্ৰালয়ে প্ৰস্তাৱত অনুমোদন জনাইছে। পৰৱৰ্তী অৰ্ডাৰলৈকে তেওঁ ডিজি হৈয়ে থাকিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিউলত এডভাণ্টেজ আছামৰ প্ৰচাৰ

বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ লক্ষ্য হৈছে দক্ষিণ কোৰিয়া আৰু জাপান। দুয়ো দেশৰ বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। আজি মুখ্যমন্ত্ৰীগৰাকীয়ে দক্ষিণ কোৰিয়াৰ ছিউলত এডভাণ্টেজ অসম ২.০ সন্মিলনৰ প্ৰচাৰ আৰু বিনিয়োগকাৰীক সাক্ষাতৰ বাবে উপস্থিত হয়। এটা দিন দক্ষিণ কোৰিয়াতে থাকিব মুখ্যমন্ত্ৰী। আজি প্ৰথমতে দক্ষিণ কোৰিয়াত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছিউলৰ কৃত্ৰিম দ্বীপ বানপো হাংগাং নদী উদ্যান পৰিদৰ্শন কৰে। বানপু হাংগাং নদীৰ কৃত্ৰিম দ্বীপ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ব্ৰহ্মপুত্ৰ একেধৰণে কৃত্ৰিম দ্বীপ নিৰ্মাণ কৰি পৰ্যটকক আকৰ্ষিত কৰাৰ চিন্তা-চৰ্চা কৰা বুলি জানিব পৰা যায়। নিশাৰ ভাগলৈ দক্ষিণ কোৰিয়া চৰকাৰৰ প্ৰতিনিধি, উদ্যোগ-বাণিজ্যৰ শীৰ্ষ বিষয়া, উদ্যোগপতিক সাক্ষাৎ কৰিব। এডভাণ্টেজ আসামলৈ দক্ষিণ কোৰিয়াৰ উদ্যোগপতিসকলক মুখ্যমন্ত্ৰীয়ে আমন্ত্ৰণ জনাই মুখ্যমন্ত্ৰীয়ে। ছিউলত মুখ্যমন্ত্ৰীয়ে এক ৰোড শ্ব'তো অংশগ্ৰহণ কৰে। ২০ জানুৱাৰীৰ দিনটো দক্ষিণ কোৰিয়াত কটাই মুখ্যমন্ত্ৰীয়ে ২১ জানুৱাৰীত জাপানত উপস্থিত হ'ব। ২৪ জানুৱাৰীলৈ জাপানত থাকিব মুখ্যমন্ত্ৰী। জাপান চৰকাৰৰ প্ৰতিনিধি, উদ্যোগ-বাণিজ্যৰ শীৰ্ষ বিষয়া, উদ্যোগপতিক সাক্ষাৎ কৰি এডভাণ্টেজ আসামলৈ আমন্ত্ৰণ জনাব। ২৫ বিদেশ ভ্ৰমণ সামৰি দিছপুৰত উপস্থিত হ'ব। এতিয়া এনেদৰেই এডভাণ্টেজ অসম ২.০ সন্মিলনৰ বাবে বিদেশত প্ৰচাৰত নামিছে মুখ্যমন্ত্ৰী। আনহাতে ইয়াকে লৈ মন্ত্ৰী বিমল বৰাও ব্যস্ত হৈ আছে বিদেশ ভ্ৰমণত। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে প্ৰকাশ কৰা চৰকাৰী জাননী অনুসৰি এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীক সংগ দিব বিধায়ক বলীন চেতিয়া, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড০ কে. কে দ্বিবেদী, পৰ্যটন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড০ জে.বি এক্কা, মুখ্যমন্ত্ৰীৰ নিৰাপত্তাৰ দায়িত্বত থকা আৰক্ষী বিষয়া গুণেন্দ্ৰ ডেকা, মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক সঞ্জীৱ ঘোষ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰেপ্তাৰ হ'ল দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি

ইতিহাসত প্ৰথমবাৰৰ বাবে গ্ৰেপ্তাৰ হ'ল এজন ৰাষ্ট্ৰপতি। দেওবাৰে পুৱাই আনুষ্ঠানিকভাৱে গ্ৰেপ্তাৰ কৰা হয় ৰাষ্ট্ৰপতি ইউন ছুক-য়েওলক। যোৱা সপ্তাহত ছিউলৰ ৰাষ্ট্ৰপতি ভৱনৰ পৰা আটক কৰা হৈছিল ৰাষ্ট্ৰপতিগৰাকীক। উল্লেখ্য যে, ইউন ছুক-য়েওলৰ বিৰুদ্ধে ২০২৪ চনৰ ৩ ডিচেম্বৰত দেশত সামৰিক আইন জাপি দিয়াৰ অভিযোগত ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ ৰুজু কৰা হৈছে। এই গোচৰৰ দীঘলীয়া শুনানিৰ অন্তত ছিউল পশ্চিম জিলা আদালতে তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। আদালতে কয় যে ইউনে প্ৰমাণ ধ্বংস কৰাৰ সম্ভাৱনা সৃষ্টি কৰিছে। য়েওলৰ বিৰুদ্ধে দুৰ্নীতি তদন্ত কাৰ্যালয়ে আৰক্ষী আৰু সেনাৰ সৈতে যৌথভাৱে তদন্ত অব্যাহত ৰাখিছে। ইফালে, গ্ৰেপ্তাৰৰ পিছত য়েওলক ২০ দিনৰ বাবে জিম্মাত ৰখা হ'ব আৰু তাৰ পিছত গোচৰটো প্ৰছিকিউটৰৰ হাতত গতাই দিয়া হ'ব। অন্যহাতে আদালতত য়েওলৰ গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি অধিবক্তাই যুক্তি আগবঢ়ায় যে য়েওলে পলায়ন বা প্ৰমাণ ধ্বংস কৰাৰ কোনো আশংকা নাই। ৰাষ্ট্ৰপতি ইউন ছুক-য়েওলৰ শুনানিৰ সময়ত ছিউল জিলা আদালতৰ বাহিৰত উত্তেজনাৰ সৃষ্টি হয়। আদালতৰ সন্মুখত হাজাৰ হাজাৰ সমৰ্থক গোট খাই আৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আটক কৰা হৈছে ৪০ জন প্ৰতিবাদকাৰীক। ঘটনাৰ সময়ত দুখন আৰক্ষীৰ বাহনৰো ক্ষতিসাধন হয়। উল্লেখ্য যে, ২০২৪ চনৰ ৩ ডিচেম্বৰত ৰাষ্ট্ৰপতি য়েওলে সামৰিক আইন ঘোষণা কৰি ৰাষ্ট্ৰীয় বিধানসভা আৰু নিৰ্বাচনী কাৰ্যালয়ত সৈন্য নিয়োগ কৰে। কিন্তু কেইঘণ্টামানৰ ভিতৰতে সংসদত এই প্ৰস্তাৱ নাকচ কৰা হয়। তাৰ পিছত ১৪ ডিচেম্বৰত তেওঁৰ বিৰুদ্ধে গুৰুতৰ অপৰাধৰ অভিযোগ উত্থাপন কৰা হয়। এই ঘটনাৰ সৈতে জড়িত ৰাষ্ট্ৰসংঘৰ প্ৰতিৰক্ষা মন্ত্ৰী, আৰক্ষী অধীক্ষক, সামৰিক সেনাধ্যক্ষকে ধৰি ৯ গৰাকী উচ্চ পদস্থ বিষয়াকো গ্ৰেপ্তাৰ কৰা হৈছে। লক্ষ্যণীয় যে, এই ঘটনাক আশীৰ দশকৰ পিছত দক্ষিণ কোৰিয়াৰ আটাইতকৈ ভয়াৱহ ৰাজনৈতিক সংকট বুলি অভিহিত কৰা হৈছে। ৰাষ্ট্ৰপতি ইউনৰ গ্ৰেপ্তাৰৰ ফলত দেশখন দুটা শিবিৰত বিভক্ত হৈছে, সমৰ্থক আৰু বিৰোধী। দক্ষিণ কোৰিয়াত দেশদ্ৰোহৰ শাস্তি আজীৱন কাৰাদণ্ডৰ পৰা আৰম্ভ কৰি মৃত্যুদণ্ডলৈকে কঠোৰ হ'ব পাৰে।

# দলগাঁৱৰ উলুবাৰীত দুৰ্ঘটনাত দেৱশিশুৰ মৃত্যু

**ই-সংবাদ, দলগাওঁ, ১৯ জানুৱাৰীঃ** দলগাঁৱৰ উলুবাৰীত সংঘটিত এক শোকাবহ দুৰ্ঘটনাত এটি দেৱ শিশুৰ মৃত্যুৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ঘটনাৰ বিৱৰণি অনুসৰি, পথৰ দাঁতিত এটি খৰাহীত বহাই থৈ মাতৃয়ে খেতিৰ পৰা বীট উঠাই থকা অৱস্থাত AS27C9376 নম্বৰৰ মেক্সিমো গাড়ী নিয়ন্ত্ৰণ হেৰাই কালভাৰ্ট এটাত প্ৰচণ্ড খুন্দা মাৰে। শব্দ শুনি ওচৰৰ লোক সকল আগুৱাই অহাৰ সময়তে চালকে গাড়ী পিছুৱাই নিবলৈ চেষ্টা কৰোতেই খৰাহীত বহি থকা ৭ মহীয়া শিশুটিৰ ওপৰেৰে গাড়ী চকা পাৰ হৈ যোৱাত হুৱা-দুৱা লাগে। পৰিয়ালৰ লোক ও স্থানীয় লোকে ততালিকে শিশুটিক খাৰুপেটিয়া প্ৰাথমিক চিকিৎসালয়ত লৈ যায় যদিও পথতে ফুলকুমলীয়া শিশুটিৰ মৃত্যু ঘটে। ইফালে, স্থানীয় ৰাইজে গাড়ীৰ চালক সহ গাড়ী আটক কৰি দলগাওঁ আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে চালকক আটক কৰে। দেৱ শিশুটি উলুবাৰী গাৱঁৰ ছফিকুল ইছলামৰ বুলি জানিব পৰা গৈছে। লগতে এই ঘটনাক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়া অব্যাহত আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত শ্বিলঙৰ কিশোৰীক নিৰ্যাতন!

১৯ বছৰীয়া কিশোৰীক ১৩ জানুৱাৰীত যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন হৈছিল। ঘটনাক লৈ মেঘালয় আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে যদিও কিশোৰীৰ পৰিয়ালে আৰক্ষীক গোচৰ প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনাইছে বুলি জানিব পৰা গৈছে। মেঘালয় আৰক্ষীৰ এজন বিষয়াই এটা নিউজ ৱেবছাইটক জনোৱা মতে, কিশোৰীৰ পৰিয়ালটোৱে গোচৰ প্ৰত্যাহাৰৰ ইচ্ছা প্ৰকাশ কৰিছে। অৱশ্যে, আৰক্ষীয়ে তদন্ত আগবঢ়াবলৈ সিদ্ধান্ত লৈছে বুলি কয়। আৰক্ষীয়ে কয় যে আমি সম্পূৰ্ণ সন্তুষ্ট হ'লেহে গোচৰটো বন্ধ কৰিম। বৰ্তমান বিষয়টোক লৈ তদন্ত অব্যাহত ৰাখিম। অভিযোগ অনুসৰি ১৩ জানুৱাৰীত সংঘটিত হোৱা ঘটনাক লৈ ভুক্তভোগী কিশোৰীৰ পৰিয়ালে ১৬ জানুৱাৰীত শ্বিলঙৰ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। শ্বিলংস্থিত সংবাদ প্ৰতিষ্ঠানত প্ৰকাশিত বাতৰি অনুসৰি ৫৪ জনীয়া মেঘালয়ৰ দলৰ অংশ কিশোৰীগৰাকী দিল্লীৰ কৰোল বাগৰ এখন হোটেলত আছিল। সেই সময়তে ঘটনা সংঘটিত হৈছিল। এজাহাৰ অনুসৰি ঘটনা সংঘটিত হোৱাৰ সময়ত ভুক্তভোগী কিশোৰীয়ে কোঠাত (৩০৬ নং) আছিল আৰু বাকীবোৰে বজাৰ কৰিবলৈ গৈছিল। কিশোৰীয়ে অভিযোগ কৰিছিল যে এজন ব্যক্তিয়ে সন্ধিয়া কোঠাত প্ৰৱেশ কৰি যৌন নিৰ্যাতন চলাইছিল। আনহাতে কেইজনমানে বাহিৰত থিয় হৈছিল। অভিযুক্ত অপৰাধীজন হোটেলৰ এজন কৰ্মচাৰী হিচাপে চিনাক্ত কৰা হয়। ১৪ জানুৱাৰীত শ্বিলঙলৈ উভতি আহি থকাৰ সময়তে ৰেলত ঘটনাৰ বিষয়ে এছকৰ্ট বিষয়াক গোপনে অৱগত কৰিছিল। ভয় আৰু লাজৰ বাবে কিশোৰীয়ে পূৰ্বে ঘটনাৰ বিষয়ে অৱগত কৰা নাছিল। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। হোটেলৰ চিচিটিভি ফুটেজ পৰীক্ষা কৰি ভুক্তভোগীৰ স্বাস্থ্য পৰীক্ষা কৰিছে। চিকিৎসাৰ প্ৰতিবেদন প্ৰাপ্তিৰ পিছত বিবৃতি পুনৰ ৰেকৰ্ড কৰা হ'ব। মেঘালয়ৰ দলটোত ৩০ জন ল'ৰা, ২১ গৰাকী ছোৱালী আৰু তিনিজন বিষয়া অন্তৰ্ভুক্ত আছিল। ৮ জানুৱাৰীত তেওঁলোক দিল্লীত উপস্থিত হৈছিল। ছোৱালীসমূহক পৃথক হোটেলত আৰু ল'ৰাবোৰক বেলেগ এখন হোটেলত ৰখা হৈছিল। আৰক্ষীয়ে স্পষ্ট কৰি দিছে যে ঘটনা সংঘটিত হোৱাতো নিশ্চিত নকৰালৈকে এজাহাৰ দিল্লী কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা নহয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হঠাৎ তৎপৰ হ'ল ডিজিপি জিপি সিং!

পাপৰ ধনেৰে নকৰিলে কি। অসম মাতৃৰ বক্ষ ফালি উলিওৱা ক'লা হীৰা উলিয়াই অবৈধভাৱে খনন আৰু বিক্ৰী কৰি বহু বিজেপিৰ নেতা, বহু অসম আৰক্ষীৰ বিষয়া, কোল ইণ্ডিয়াৰ বিষয়া, বন বিষয়া, কোটি পতি হ'ল। উজনি অসমৰ এনে বহু বিধায়ক আছে যিয়ে ক'ব নোৱাৰিব যে মই কয়লাৰ পাপৰ ধন খোৱা নাই। এনে মন্ত্ৰী আছে যিয়ে ক'ব নোৱাৰিব মই কয়লাৰ পৰা আৰ্জিত পাপৰ ধন খোৱা নাই। মুখ্যমন্ত্ৰীৰ বহু ঘনিষ্ঠ নেতা আছে যিয়ে ক'ব নোৱাৰিব যে মই কয়লাৰ পৰা আৰ্জিত পাপৰ ধন খোৱা নাই। কয়লা খননৰ পাপৰ খেলখনত বহুতেই ডুব মাৰিছে। আলাউদ্দিনৰ চাকিৰ দৰে কয়লাৰ পাপৰ পুখুৰীত ডুব মাৰি বহুতে ধন গোটাই ল'লে। কিন্তু অসমত অবৈধ ৰেট হোল মাইনিঙত জড়িত শ্ৰমিকৰ তেজ, ঘাম লাগি আছে সেই ধনত। সেয়েহে সেই ধন পাপৰ ধন। যি কয়লাত খাটিখোৱা শ্ৰমিকৰ মানুহৰ তেজ লাগি থাকে। কেতিয়াবা শ্ৰমিকক হত্যা কৰি কয়লাখনিত পুতি থোৱা হয়। কেতিয়াবা কয়লা খনিখহি থলুৱা শ্ৰমিকক মাটিত পোত যায় প্ৰাণ হেৰুৱাই। কয়লাখনত শ্ৰমিকে প্ৰাণৰ মমতা পৰিহাৰ কৰে। ২০২৪ চনৰ ৩ জানুৱাৰীত কয়লাৰ অবৈধ কাৰবাৰে ১২গৰাকী লোকৰ প্ৰাণ কাঢ়ি নিছিল। গোলাঘাট জিলাৰ দেৰগাঁৱৰ বালিজানত কয়লাৰ ট্ৰাকত খুন্দাত পিকনিক খাবলৈ গৈ থকা গোলাঘাটৰ বছা ভৰলুৱা গাঁৱৰ ১২গৰাকীকৈ লোকৰ প্ৰাণ বায়ু উৰি গৈছিল। প্ৰভাৱশালী ৰাজনৈতিক দলৰ নেতা-আৰক্ষী বিষয়াই অসৎ পথেৰে ধন উপাৰ্জন কৰিবলৈ মানুহৰ জীৱনৰ গৌণ বুলি গণ্য কৰে। এন্দুৰৰ গাতৰ দৰে গাতত মানুহক সোমাই দিয়ে। এন্দুৰে মাটিৰ সৰু সৰু টুকুৰা উলিয়াই অনাৰ দৰে ৰেট হোল মাইনিঙৰ পৰা শ্ৰমিকে কয়লাৰ সৰু সৰু টুকুৰা উলিয়াই আনি কৃত্ৰিম পাহাৰ গঢ়ে। সেই পাহাৰৰ পৰা জেচিবিৰ বকেটেৰে ট্ৰাকত ভৰাই সৰবৰাহ কৰা হয়। তাৰ পৰা উপাৰ্জন হয় কোটি কোটি টকা। সেই টকা দিছপুৰৰ বৰমূৰীয়া, বিধায়ক, আৰক্ষী বিষয়াই মিলি ভক্ষণ কৰিছিল। ইমান দিনে তেনেদৰেই চলি আছিল অবৈধ কয়লাৰ খনন। সকলো দেখিও চকুমুদা কুলিৰ ভাও ধৰিছিল চৰকাৰে। কিয়নো চৰকাৰৰ মানুহেই টকাৰ বাবে এই অসৎ পন্থা অৱলম্বন কৰিছিল। বিজেপি চৰকাৰৰ দিনত বহু কয়লা মাফিয়া অগাধ ধনৰ মালিক হ'ল। কোটি কোটি টকা ঘটাৰ এই খেলখন চলি আছিল যদিও উমৰাংছু কাণ্ডই বিধি-পথালি দিলে। উমৰাংছু কাণ্ডই ব্যাঘাত জন্মালে। পূৰ্বে কোনো দিনে অসম চৰকাৰে স্বীকাৰ কৰি নোলোৱা অসম চৰকৰ, অসম আৰক্ষী আৰু অসম প্ৰশাসনে হঠাতে কয়লাৰ অবৈধ ৰেট হোলা মাইনিং চলি থকাৰ কথা মানি ল'লে। এতিয়া চৰকাৰ, আৰক্ষী, প্ৰশাসন ৰেট হোল মাইনিং বন্ধ কৰিবলৈ উঠি-পৰি লাগিছে। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত ৰেট হোল মাইনিং বন্ধ কৰিবলৈ নিৰ্দেশ দিছে। এছঅ'পি প্ৰস্তুত কৰাৰ কথা ঘোষণা কৰিছে। তাৰ মাজতে কালিৰে পৰা তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত ৰেট হোল মাইনিং বন্ধ কৰিবলৈ অভিযান চলিছে। আৰক্ষী প্ৰশাসনে মাৰ্ঘেৰিটাত ১৩টা অবৈধ ৰেট হোল মাইনিং বন্ধ কৰি দিছে বুলি খবৰ পোৱা গৈছে। বিদ্যুৎ সংযোগ ব্যাহত কৰিছে। খনন সঁজুলি জব্দ কৰা হয়। আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এই লৈ প্ৰতিক্ৰিয়া দিয়ে। অসম-অৰুণাচল সীমান্তৱৰ্তী এলেকা ভ্ৰমণৰত জি.পি সিঙে কয় যে মুখ্যমন্ত্ৰী জ্ঞাত হৈছে যে মাৰ্ঘেৰিটা, লিডু, লেখাপানী আদি এলেকাত ৰেট হোল মাইনিং চলি আছে। আমি সেই এলেকাত স্থানীয় আইজিপি আৰু আধীক্ষকৰ সৈতে পৰিদৰ্শন কৰিছো। স্থানীয় প্ৰশাসন, কোল ইণ্ডিয়াকে ধৰি বিভিন্ন স্থানীয় সংস্থাক এক সপ্তাহৰ ভিতৰত সকলো ৰেট হোল মাইনিং বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কালিৰে পৰা অভিযান আৰম্ভ হৈছে। নৰ্থ ইষ্ট কোল্ড ফিল্ডৰ লীজ এলেকাৰ তেনে দুটা মাইনিং চিনাক্ত কৰি বন্ধ কৰা হৈছে। উমৰাংছুত আজি অভিযান চলোৱা হৈছে। উমৰাংছুৰ খনন চলি থকা খনি পোৱা হোৱা নাই। কিন্তু পৰিত্যক্ত খনিসমূহ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই অভিযান ৭ দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰে জি.পি সিঙে। ইমান দিন অসম আৰক্ষীৰ উজনিৰ জিলাখনত কৰ্মৰত উচ্চপদস্থ বিষয়াসকলে ৰেট হোল মাইনিং অব্যাহত থকাৰ কথাটো অৱগত নাছিল নে? নে জানিও অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক অৱগত কৰা নাছিল। এনেকুৱাই হ'ব পাৰে নেকি যে ৰেট হোল মাইনিঙৰ কথা সকলো পক্ষই জানিছিল যদিও মুখ বন্ধ কৰি ৰাখিবলৈ বাধ্য হৈছিল। যদি সুৰংগৰ ভিতৰত ৯জন নিৰীহৰ প্ৰাণ নগ'লহেঁতেন তেন্তে সমগ্ৰ অসমত যে অবৈধ কয়লাৰ খনন, চিণ্ডিকেট চলি আছিল সেই কথাও অসম চৰকাৰ আৰু অসম আৰক্ষীয়ে মানি নল'লেহেঁতেন নে? যিয়ে নহওক ৯জন নিৰীহৰ অপমৃত্যুৰ বিনিময়ত চকু খোল খালে অসম আৰক্ষী আৰু অসম চৰকাৰৰ। ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইয়ে খন্দা গাতত সোমাই ৯ শ্ৰমিক নিহত হোৱাৰ পিছতহে অসম চৰকাৰ আৰু অসম আৰক্ষীয়ে অসমত অবৈধ কয়লাৰ ৰেট হোল মাইনিঙৰ কথা অৱগত হ'ল আৰু এনেদৰে ৰেট হোল মাইনিং বন্ধ কৰিবলৈ তৎপৰ হৈ পৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰীয় ক্ৰীড়াত অশংগ্ৰহণকাৰীক কিট

অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় ক্ৰীড়াত মুঠ ৩৬ খন প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰা হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণ কৰিবলগীয়া ৰাজ্যসমূহৰ বিভিন্ন ইভেন্টৰ বাবে দলসমূহ সাজু হৈছে। ২৬ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাজ্যসমূহৰ দলসমূহ উত্তৰাখণ্ডত উপস্থিত হ'ব। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত অংশ ল'বলৈ সাজু হৈছে অসমৰ খেলুৱৈসকল। দীৰ্ঘদিনীয়া প্ৰশিক্ষণৰ অন্তত সাজু অসমৰ খেলুৱৈসকলক আজি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কিট প্ৰদান কৰা হয়। দলটোৰ বাবে অফিচিয়েল জাৰ্চি মুকলি কৰাৰ লগতে কিট প্ৰদান কৰা হয়। ৩৮-সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ বাবে আজি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত এখন বিশেষ সভা অনুষ্ঠিত হয়। মন্ত্ৰী নন্দিতা গাৰ্লোচা, পীযুষ হাজৰিকা আৰু জয়ন্তমল্ল বৰুৱা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰৰ উপস্থিতিত অনুষ্ঠিত সভাত খেলুৱৈসকল উপস্থিত থাকে। অসমৰ খেলুৱৈসকলক কিট বিতৰণ কৰে অসম অলিম্পিক সন্থাৰ অধ্যক্ষ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। সোণোৱালে অসম অলিম্পিক সন্থাৰ তৰফৰ পৰা খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰে। অসম অলিম্পিক সন্থাৰ অধ্যক্ষ সোণোৱালে কয় যে অসম ক্ৰীড়া প্ৰতিভাৰ এক উদীয়মান শক্তিক্ষেত্ৰ। আগন্তুক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত অসম দলে অদম্য মনোবল তথা উজ্জীৱিত প্ৰদৰ্শনেৰে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আমি দৃঢ় বিশ্বাসী। শৃংখলাবদ্ধতা, উৎসৰ্গিত মনোভাব আৰু একাগ্ৰতাৰে সৰ্বোচ্চ উজাৰি খেলিবলৈ সমূহ খেলুৱৈক আন্তৰিকতাৰে আহ্বান জনালো। আশাকৰো আমি ভাল ফল দেখুৱাব পাৰিম।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লক্ষ্য বিটিচি নিৰ্বাচন! হাগ্ৰামা বাহিনী

লাগে আৰু ইয়াৰ বাবে বিপিএফ কৰ্মীসকল যিকোনো পৰ্যায়ত কাম কৰিবলৈ সাজু আছে। মুঠতে বিটিচিক আমি আগৰ দৰে জীয়াই ৰাখিব লাগে। এই মন্তব্য কৰিছে বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে। আজি কোকৰাঝাৰত অনুষ্ঠিত হোৱা বিপিএফৰ ষষ্ঠ ত্ৰিবাৰ্ষিক অধিবেশনৰ পলিচি নিৰ্ধাৰণ সমিতিৰ বৈঠকৰ অন্তত বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে উক্ত মন্তব্য কৰে। উল্লেখ্য যে কোকৰাঝাৰৰ শ্যামগাঁৱৰ আৰনাই ইথিনিক ৰেষ্টুৰেণ্টত আজি বিপিএফৰ ষষ্ঠ ত্ৰিবাৰ্ষিক অধিবেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ১১ বজাৰ পৰা পলিচি নিৰ্ধাৰণ সমিতি (পিএমবি)ৰ বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকৰ পিছতে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে সংবাদমাধ্যমৰ আগত পলিচি নিৰ্ধাৰণ সমিতি(পিএমবি)ৰ বৈঠকত ২৩ টা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ বিষয়ে সদৰি কৰে। সেই অনুসৰি বিটিচিত বিপিএফ দলে চৰকাৰ গঠন কৰাৰ পিছতে প্ৰমোদ বড়ো চৰকাৰে দিছপুৰক গতাই দিয়া ১৬ টা বিভাগৰ কাৰ্যক্ষমতা পুনৰ ঘূৰাই অনা, কোচৰাজবংশী আৰু আদিবাসীৰ জনজাতিকৰণৰ ক্ষেত্ৰত "এনঅচি" দিয়া, জনসাধাৰণক মাটিৰ পট্টা দিয়া, প্ৰতিখন জিলাতে চাকৰিপ্ৰাৰ্থীৰ বাবে কোচিং চেণ্টাৰ খোলা, বিটিচিৰ আন জিলাকেইখনতো বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কেম্পাচ খোলা, বিটিচিত সংৰক্ষিত শ্ৰেণী হিচাপে গোৰ্খা সকলক আপত্তিবিহীনতাৰ প্ৰমানপত্ৰ (এনঅ'চি) দিয়া আদিকে ধৰি আন কেবাটাও বিষয়ত বিপিএফৰ পলিচি নিৰ্ধাৰণ সমিতি(পিএমবি)য়ে সিদ্ধান্ত গ্ৰহণ কৰা বুলি সদৰি কৰে হাগ্ৰামা মহিলাৰীয়ে। আনহাতে অহা এপ্ৰিলতে বিটিচি নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে বিটিচি চৰকাৰ গঠন কৰিবলৈ যি কোনো পৰ্যায়লৈকে কাম কৰিবলৈ বিপিএফৰ কৰ্মীসকল সাজু হৈ আছে। আগন্তুক বিটিচি নিৰ্বাচনত বিপিএফ দলে কমেও ২৫ খন আসনত জিকিব বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে বিপিএফৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীসকলে অহা ৩১ জানুৱাৰীৰ ভিতৰত প্ৰাৰ্থীৰ বাবে আবেদন জনাব লাগিব। প্ৰাৰ্থী নিৰ্বাচনৰ বাবে পাঁচজনীয়া সমিতি আৰু নিৰ্বাচনী ইস্তাহাৰ বনোৱাৰ বাবে পাঁচজনীয়া সমিতি গঠন কৰা হ'ব বুলি মন্তব্য কৰিছে মহিলাৰীয়ে। তদুপৰি অহা বিটিচি নিৰ্বাচনত কোনো দলৰ সৈতে বিপিএফ দলে মিত্ৰতা নকৰে বুলি ঘোষণা কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে অৱশ্যে এইক্ষেত্ৰত কোনোবা দলে উপযাচি আহি বিপিএফক সহায় কৰিলে আপত্তি নাই। উল্লেখ্য যে কাইলৈ বিপিএফৰ ষষ্ঠ ত্ৰিবাৰ্ষিক অধিবেশনৰ দ্বিতীয় দিন আৰু দ্বিতীয় দিনৰ কাৰ্যসূচী চিৰাং জিলাৰ বেংতলত অনুষ্ঠিত হ'ব। প্ৰণিধানযোগ্য যে আজিৰ সভাত বিধায়ক ক্ৰমে দুৰ্গাদাস বড়ো, ৰবিৰাম নাৰ্জাৰী, বিপিএফৰ এমচিএলএ ক্ৰমে দেৰহাছাৎ বসুমতাৰী, দনেশ্বৰ গয়াৰী, প্ৰাক্তন মন্ত্ৰী প্ৰমিলাৰাণী নাৰ্জাৰীকে ধৰি প্ৰায় সকলো জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে।

# কলিয়াবৰৰ লাওখোৱাৰ টুবুকী জাৰণীত ভাৰতীয় জনতা পাৰ্টীৰ সংবিধান গৌৰৱ দিৱস পালন

**ই-সংবাদ, পুৰণিগুদাম, ১৯ জানুৱাৰীঃ** কলিয়াবৰ জিলা বিজেপি কাৰ্যালয়ৰ অধীনৰ লাওখোৱা মণ্ডল বিজেপিৰ এলেকাধীন অতি ভিতৰুৱা অঞ্চল টুবুকী জাৰণী পঞ্চায়তত আজি পালন কৰে সংবিধান গৌৰৱ দিৱস ।কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সংবিধান গৌৰৱ দিৱসৰ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহ সদস্য জয়ন্ত গোস্বামী। লাওখোৱা ব্লক বিজেপিৰ সভাপতি গংগাচৰণ মণ্ডলে আঁট ধৰা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জয়ন্ত গোস্বামীয়ে কংগ্ৰেছে কেনেদৰে সংবিধানৰ বিৰোধীতা কৰিছে তাৰ বিষয়ে বহল বাখ্যা দাঙি ধৰাৰ লগতে সংবিধান প্ৰণেতা ভীমৰাও আম্বেদকাৰৰ ত্যাগৰ কথা সোঁৱৰণ কৰে। সভাত বিজেপিৰ জিলা সভাপতি বাবুল বৰাই ভাষণ প্ৰসংগত কয় যে, ভাৰতবৰ্ষৰ সংবিধান পৃথিৱীৰ ভিতৰতে দীঘল সংবিধান আৰু এই সংবিধানে ভাৰতবৰ্ষৰ ১৪০



কোটি জনসাধাৰণক মৰ্য্যদা সহকাৰে জীয়াই থকাৰ সুবিধা প্ৰদান কৰিছে। এই কথাখিনি সোঁৱৰণ কৰিবৰ বাবে ৭৫ বছৰত সংবিধান গৌৰৱ অভিযান পালন কৰা হৈছে বুলি উল্লেখ কৰে ।সভাত কলিয়াবৰ জিলা বিজেপিৰ বিভিন্ন মণ্ডলৰ বিষয়ববীয়াসকলৰ উপৰিও লাওখোৱা মণ্ডলৰ বিজেপিৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে। সভাত বিজেপি দলৰ বিষয়ববীয়া স্নেহাশীষ দাসৰ উপৰিও কেইবাজনো বিজেপি নেতা আৰু তিনি শতাধিক দলীয় কৰ্মী উপস্থিত থাকি সংবিধান গৌৰৱ দিৱসটি সফল ৰূপায়ণ কৰে ।সভাত কেইবাজনো বিভিন্ন দলৰ বিষয়ববীয়াই বিজেপি দলত যোগদান কৰে ।সভাৰ পূৰ্বে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰে বিশিষ্ট অতিথিসকলে।

## উদ্বোধনৰ এবছৰৰ পিছতো নাহিল কোনো চিকিৎসক, ওলমি আছে এটি বৃহৎ তলা!

# মিউজিয়ামলৈ পৰ্যবসিত ৰূপাইৰ ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰৰ নৱনিৰ্মিত ভৱন



**ই-সংবাদ, ডুমডুমা , ১৯ জানুৱাৰীঃ** অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শুভ উদ্বোধন কৰা তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ ৰূপাইৰ শান্তিপুৰ গাওঁস্থিত ঔগুৰি উপ- স্বাস্থ্যকেন্দ্ৰটিৰ পৰা ৰাইজে আজি এবছৰৰ পিছতো চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম নহ'ল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই একেদিনাই কেইবাটাও চৰকাৰী কাৰ্য্যসূচী হাতত লৈ তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু শদিয়া বিধানসভা সমষ্টিত উপস্থিত হৈছিল যোৱা বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত। ৰূপাইৰ শান্তিপুৰস্থিত ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা এক বিশাল জনসভাত অংশগ্ৰহণ কৰা ড° শৰ্মাই মিছন বসুন্ধৰা ২.০ ৰ অধীনত ডুমডুমা সমষ্টিৰ কেবাহাজাৰ লোকক ভূমি পট্টা প্ৰদান কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰাৰ লগতে আন কেইবাটাও নতুন প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস স্থাপন কৰিছিল। বিকাশৰ বাবে এদিন, ডুমডুমাত বিকাশৰ নতুন জোৱাৰ শ্লোগানেৰে তিনিচুকীয়া জিলাত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই লক্ষীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ উপস্থিতিত PM - ABHIM, ২০২১-২২ বিত্তীয় বৰ্ষৰ পুঁজিৰে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন (অসম) ৰ অধীনত ৰূপায়ণ কৰা তথা প্ৰায় ৪৮,৩৮,৭৯০/- টকাৰ ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ কৰা ঔগুৰি স্বাস্থ্য উপকেন্দ্ৰটিৰ শুভ উদ্বোধন কৰা আজি প্ৰায় এবছৰ সম্পূৰ্ণ হোৱাৰ পথত যদিওঁ আজিৰ তাৰিখ পৰ্য্যন্ত বৃহত্তৰ ঔগুৰি অঞ্চলৰ ৰাইজে উক্ত স্বাস্থ্য উপ কেন্দ্ৰটিৰ পৰা চিকিৎসা সেৱা লাভ নকৰিলে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে ফিটা কাটি শুভ উদ্বোধন কৰা ঔগুৰি স্বাস্থ্য উপ কেন্দ্ৰটি আজিৰ তাৰিখত কবলৈ গ'লে এক চৰকাৰী মিউজিয়ামলৈ পৰ্যবসিত হোৱা বুলিব পাৰি। কাৰণ এবছৰে চৰকাৰে চিকিৎসক নিযুক্তি দিবলৈ অসমৰ্থ। ২০২৩ বৰ্ষৰ ১৩ মে' ত স্থানীয় বিধায়ক ৰূপেশ গোৱালাই আধাৰশিলা স্থাপন কৰা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটি ৯ মাহৰ ভিতৰতেই মাকুমৰ কল্যাণ চেতিয়া নামৰ ঠিকাদাৰগৰাকীয়ে নিৰ্মাণ সম্পূৰ্ণ কৰি উলিয়ায় যদিওঁ আজি এটা বছৰে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, তিনিচুকীয়া তথা জিলা স্বাস্থ্য বিভাগৰ লগতে চৰকাৰে এগৰাকী সামূহিক চিকিৎসা বিষয়া (CHO) ক নিযুক্তি দিয়াত সম্পূৰ্ণ ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত আজি এটা বছৰে উক্ত উপ-স্বাস্থ্যকেন্দ্ৰটিত কেৱল ওলমি আছে এটি বৃহৎ তলা। সংশ্লিষ্ট বিভাগে উপ-স্বাস্থ্য কেন্দ্ৰটিৰ বাবে প্ৰয়োজনীয় আচবাব, চিকিৎসা সজুলি, একাংশ মেচিন আদিৰ ব্যৱস্থা কৰিলে যদিও এতিয়াও কেন্দ্ৰটিত অভাৱ কেতবোৰ আনুষঙ্গিক সামগ্ৰী তথা সজুলিৰ। লগতে অভাৱ কেন্দ্ৰটিৰ চৌহদৰ পকী বেৰাৰ। দুই মহলীয়া কেন্দ্ৰটিৰ তলৰ মহলাত ৰেলনেছ ৰূম, পষ্ট ডেলিভাৰী, প্ৰী ডেলিভাৰী ৱাৰ্ড, পৰীক্ষাগাৰ, টিকাকৰণ কক্ষ, লেবাৰ ৰূম, চিকিৎসকৰ কক্ষ, চিকিৎসক-নাৰ্ছ-ৰোগীৰ বাবে সুকীয়া-সুকীয়াকৈ তিনিটাকৈ টয়লেটৰ সুব্যৱস্থা থকা উপ-স্বাস্থ্য কেন্দ্ৰটিৰ ওপৰ মহলাত CHO গৰাকী থাকিব পৰাকৈ সুব্যৱস্থা থকাৰ পাছতো আজি এবছৰে চৰকাৰে এগৰাকী চিকিৎসকক নিযুক্তি দিব নোৱাৰাটো চৰকাৰৰ চৰম ব্যৰ্থতা বুলি সকলোৱে মুখে মুখে চৰ্চিত হোৱা পৰিলক্ষিত হৈছে।

# চামগুৰিত পথ দুৰ্ঘটনাত এজন থিতাতে নিহত

**ই-সংবাদ, পুৰণিগুদাম, ১৯ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি ষ্টেট বেংকৰ সন্মুখৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। জানিব পৰা মতে, আজি দিনৰ প্ৰায় ১১-৩০ মান বজাত চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি ষ্টেট বেংকৰ সন্মুখৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটো পদুমণি পামগাঁৰৰ জীতেন বৈৰাগী (৬৫) নামৰ লোকজনে এখন চাইকেলৰ সৈতে পাৰ হ'বলৈ চেষ্টা কৰা সময়ত এ-এছ-০১-বি এল- ৪২৪১ নম্বৰৰ এখন মাৰুতি ৱেগনাৰ গাড়ীয়ে মহটিয়াই নিয়ে। ফলত লোকজন থিতাতে নিহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনাত নিহত হোৱা লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। পদুমণি তিনিআলিত দোকান দি জীৱিকা নিৰ্বাহ কৰা অমায়িক, নম্ৰ স্বভাৱৰ জীতেন বৈৰাগীৰ আকস্মিক মৃত্যুত বৃহত্তৰ পদুমণি, পামগাঁও আৰু ভৰাগুৰিত অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। লগতে পথ দুৰ্ঘটনাক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়া অব্যাহত আছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# চাবুৱাত পানী নিস্কাষনৰ নলা, পথ নিৰ্মাণ কাৰ্যৰ পৰিদৰ্শন বিধায়ক পোনাকণ বৰুৱাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৯ জানুৱাৰীঃ** বিগত কেইবা বছৰৰ পৰা চাবুৱা চহৰৰ মাজভাগতে পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথতটো সামান্য এজাক বৰষুনতে জলমগ্ন হৈ পৰে। যাৰ ফলত এই পথেৰে অহা-যোৱা, বজাৰ সমাৰ আদি কৰাটো দুৰ্বিসহ হৈ পৰে। ৰাইজৰ এই আহুকাল দূৰ কৰিবলৈ প্ৰচেষ্টাই অৱশেষত ফল ধৰিছে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ প্ৰচেষ্টাত। পথৰ কাষত পকী নলা নিৰ্মাণৰ কাম সম্প্ৰতি দ্ৰুত গতিত চলিছে। চাবুৱা এম ই এছ তিনি আলিৰ পৰা 'গৌৰৱ পথ' নামেৰে এটি অভিলাষী পথ আৰু নলা নিৰ্মাণৰো কাম দ্ৰুত গতিত চলিছে। আজি বিধায়ক পোনাকণ বৰুৱাই অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা, চক্ৰ বিষয়া, চাবুৱা পৌৰসভাৰ পৌৰপতি, কাৰ্যবাহী বিষয়া আদিক লগত লৈ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰে। পানী নিস্কাষনৰ বাবে বিজ্ঞান সন্মত ভাবে নলা আৰু পথ নিৰ্মাণ দুয়োটাই সমান্তৰালকৈ আগবঢ়াই নিবলৈ ঠিকাদাৰ আৰু বিভাগীয় বিষয়া সকলক নিৰ্দেশ দিয়ে বিধায়কগৰাকীয়ে।

# গেলেকীত প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ১৯ জানুৱাৰীঃ** সদ্য প্ৰয়াত গণ শিল্পী ৰাজীৱ শদিয়াৰ আত্মা সদগতিৰ অৰ্থে গেলেকী চাৰিআলিত অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ । গেলেকীৰ কেইজনমান সামাজিক যুৱক তথা স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হয় এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ । অনুষ্ঠানটোত স্থানীয় ভালেসংখ্যক গণ্য মান্য ব্যক্তি,দল সংগঠনৰ বিষয়ববীয়াৰ লগতে গেলেকী প্ৰেছ ক্লাবৰ বিষয়ববীয়া উপস্থিত থাকে । অনুষ্ঠানটিত সদ্য প্ৰয়াত ৰাজীৱ শদিয়াৰ আত্মাৰ সদগতিৰ অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয় । শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি গেলেকী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সুৰেশ চেতিয়া কয় যে ৰাজীৱ শদিয়াৰ বিয়োগে অসমীয়া সমাজ জীৱনৰ এক অপূৰণীয় ক্ষতি কৰিলে । ৰাজীৱ শদিয়া এজন শিল্পীয়ে নাছিল তেওঁ আছিল অসমীয়া জাতিটোক ধৰি ৰাখিবলৈ চেষ্টা কৰা এজন প্ৰকৃত জাতীয়তাবাদী সৈনিক । যাৰ প্ৰতিটো গীতেই আছিল অসমীয়া জাতি , মাটিৰ গোন্ধ থকা । এনে এজন শিল্পীৰ বিয়োগ আমাৰ অসমীয়াৰ বাবে অপূৰণীয় ক্ষতি । অনুষ্ঠানটিত উপস্থিত থাকি স্থানীয় সমাজকৰ্মী আব্দুল হেলিম , অনাতাঁৰ শিল্পী দিলীপ দত্তই শিল্পীগৰাকীৰ বিয়োগ এক অপূৰণীয় ক্ষতি বুলি মন্তব্য প্ৰকাশ কৰা লগতে বিদেহী আত্মাৰ সদগতিৰ কামনা কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে ।

## যুৱ ছাত্ৰ পৰিষদৰ প্ৰায় পাঁচ শতাধিক কৰ্মীৰ যোগদান অসম সেনাত

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিত ব্যাপক খহনীয়া

**ই-সংবাদ, যোৰহাট, ১৯ জানুৱাৰীঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিত ব্যাপক খহনীয়া দেখা গৈছে। সংগঠনটোৰ পাঁচ শতাধিক কৰ্মীয়ে আজি আনুষ্ঠানিকভাৱে যোগদান কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ভাতৃ সংগঠন অসম সেনাত। উল্লেখযোগ্য যে কিছু বছৰ পূৰ্বে জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদত হোৱা সংঘাতৰ ফলত সংগঠন ত্যাগ কৰে জাতীয়তাবাদী বলিষ্ঠ কণ্ঠ ঋতুল পাঠকেও আজি আনুষ্ঠানিক ভাৱে যোগদান কৰে অসম সেনাত। আনহাতে কিছুদিন পূৰ্বে জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাটৰ অধিবেশনত হোৱা সংঘাতৰ বাবে আজি প্ৰায় সংগঠনটোৰ ৪ শতাধিক যুৱকে অসম সেনাত যোগদান কৰে। কিছুদিনলৈকে জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদত যোৰহাট মহানগৰ সমিতিৰ দায়িত্বত থকা গৌতম দাসে কৰে সংগঠনটোৰ ভিতৰচৰাত চলা বিস্ফোৰক। সংগঠনটোৰ কোনো নেতাই সংবিধান বিৰোধী কাম কৰা কথা উল্লেখ কৰে। নাম উচ্চাৰণ কৰা নাই যদিও তেওঁ ৰ ক্ষোভতে এই ৪শতাধিক যুৱকে যুৱ ছাত্ৰ পৰিষদ ত্যাগ কৰি অসম সেনাত যোগদান কৰে। কিন্তু কোন এইজন বিশেষ ব্যক্তি, যাৰ বাবে যোৰহাটত উচন হৈছে পৰিষদৰ ভেটি সেই লৈ চলিছে বিশেষ চৰ্চা। অহা ২-৩ দিনৰ ভিতৰত যুৱ ছাত্ৰ পৰিষদৰ পৰা আৰু ২ শতাধিক যুৱকে অসম সেনাত যোগদান কৰা পূৰ্ণ সম্ভৱনা আছে।




# বৰপেটাৰোডত বিজেপিৰ নৱনিৰ্বাচিত সভাপতি দিলীপ শইকীয়াক উষ্ম আদৰণি

**ই-সংবাদ, বৰপেটাৰোড, ১৯ জানুৱাৰীঃ** আজি বৰপেটাৰোডত সাংসদ তথা অসম প্ৰদেশ বিজেপিৰ নৱনিৰ্বাচিত সভাপতি দিলীপ শইকীয়াক উষ্ম আদৰণি জনায় ।গায়ন বায়ন ঢুলীয়া নাচনীৰে আদৰণি জনায় দলীয় কাৰ্য্যকৰ্তাই ।উল্লেখযোগ্য যে বিজেপিৰ ৰাজ্যিক সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ পিছতে বৰপেটাৰোডত পদাৰ্পন সাংসদ গৰাকীৰ। বিজেপিৰ বৰপেটাৰোড নগৰ মণ্ডলৰ কাৰ্য্যলয়ত নৱ নিৰ্বাচিত ৰাজ্যিক সভাপতি গৰাকীক উষ্ম আদৰণি জনায় দলীয় কাৰ্য্যকৰ্তাসকলে। ইয়াৰ পিছতে বৰপেটাৰোৰ খৈৰাবাৰীত সংবিধান গৌৰৱ অভিযান শীৰ্ষক এক জন সভাত নৱ নিৰ্বাচিত ৰাজ্যিক সভাপতি শইকীয়াক সম্বৰ্ধনা জ্ঞাপন কৰে বিজেপি বৰপেটাৰোড নগৰ মণ্ডল, গোৱৰ্দ্ধনা মণ্ডল বিজেপি আৰু চকচকা মণ্ডল বিজেপিৰ কাৰ্য্যকৰ্তা সকলে। নৱ নিৰ্বাচিত ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ উপস্থিতিত বৰপেটাৰোড নগৰ মণ্ডল আৰু গোৱৰ্দ্ধনা মণ্ডলৰ নৱ নিৰ্বাচিত মণ্ডল সভাপতি দুগৰাকীক অনুষ্ঠানিক দ্বায়িত্বভাৰ অৰ্পণ কৰে। ইয়াৰ পিছতে বিজেপিৰ মণ্ডল, বুথ সমিতিৰ লগতে দল সংগঠনকে আদি কৰি কাৰ্য্যকৰ্তাসকলে সম্বৰ্ধনা জ্ঞাপন কৰে। বিজেপিৰ নৱ নিৰ্বাচিত ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াক সংগ দিয়ে অসম চৰকাৰৰ জেষ্ঠ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, বিজেপিৰ বৰপেটা জিলা নৱ নিৰ্বাচিত সভাপতি মহেন দাসে ।আদৰণি অনুষ্ঠানত উপস্থিত থাকে কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, বিধায়ক ফণী তালুকদাৰ, বিটিআৰৰ ই এম গৌতম দাস, বৰপেটাৰ নৱ-নিৰ্বাচিত সভাপতি মহেন দাস, বৰপেটাৰোড পৌৰ সভাৰ পৌৰপতি ৰাজেশ সৰকাৰ সহ মণ্ডল, বুথ সমিতিৰ বিষয় ববীয়াৰ লগতে দলীয় কাৰ্যকৰ্তা।

# ওদালগুৰিত বনৰৌ জব্দ, গ্ৰেপ্তাৰ সৰবৰাহকাৰী

**ই-সংবাদ, ওদালগুৰি, ১৯ জানুৱাৰীঃ** কালি ওদালগুৰি বন বিভাগে গোপন সূত্ৰৰ খবৰৰ ভিত্তত চলোৱা অভিযানত এটা বনৰৌসহ সৰৱৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, ওদালগুৰি ধনশ্ৰী বন সংমণ্ডলৰ এটা দলে আৰক্ষীৰ সহযোগত দৈফাং চ'কত কালি আবেলি প্ৰায় ৩ মান বজাত অভিযান চলাই বনৰৌটো জব্দ কৰাৰ লগতে সৰবৰাহকাৰী দিনেশ বসুমতাৰী(৫৬)ক গ্ৰেপ্তাৰ কৰে। আৰক্ষীক দেখি আন চাৰিগৰাকী সৰৱৰাহকাৰীয়ে পলায়ন কৰিবলৈ সক্ষম হয় যদিও বন বিভাগৰ দলটোৱে দুখন স্কুটী জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত বনৰৌটোৰ ওজন প্ৰায় ৮.৩ কেজি।

# দলগোমাত পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বজালে সাংসদ ৰকিবুল হুছেইনে




**ই-সংবাদ, নগৰবেৰা, ১৯ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ পূৱ গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত দলগোমাত আজি কংগ্ৰেছ দলৰ এক বিশাল দলীয় কৰ্মীসভাত অংশ গ্ৰহণ কৰি পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বজালে ধুবুৰী লোক সভাৰ সাংসদ তথা কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে। সমষ্টিটোৰ শ্ৰীসূৰ্যগিৰি ব্লক কংগ্ৰেছৰ উদ্যোগত আৰু পাইকান ব্লক কংগ্ৰেছৰ সহযোগত অনুষ্ঠিত বিশাল কৰ্মীসভাত সাংসদ ৰকিবুল হুছেইনৰ উপৰিও পূব গোৱালপাৰা সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলম, জলেশ্বৰ সমষ্টিৰ বিধায়ক আফতাব উদ্দিন মোল্লা, বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিবামনি বৰা, লাহৰিঘাট সমষ্টিৰ বিধায়ক আছিফ নজৰ, নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ লগতে কেইবাজন নেতা উপস্থিত থাকে । সভাত সাংসদ গৰাকীৰ প্ৰায় এঘন্টাৰ ভাষণত শাসনাধিষ্ঠিত বিজেপি আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। নিজৰ ভাষণত সাংসদ গৰাকীয়ে কয়-হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ লোকক প্ৰতাৰণা কৰিছে । সেয়ে কোনো এটা জাতি জনগোষ্ঠীৰ লোক এতিয়া তেওঁৰ সৈতে নাই। নাগৰিকত্বৰ ভিত্তি বৰ্ষ '৫১ চন কৰিবলৈ হিমন্ত বিশ্ব শৰ্মাই ষড়যন্ত্ৰ কৰিছিল যদিও দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে' ৭১ কে ভিত্তি বৰ্ষ হিচাপে বাহাল ৰখাত হিমন্ত বিশ্ব শৰ্মাই এতিয়া তত হেৰুৱাই পেলাইছে। ৰাজ্য প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকক সকলো প্ৰকাৰে প্ৰৱঞ্চনা কৰি শেহতীয়াকৈ হিমন্ত বিশ্ব শৰ্মাই অসমৰ সংখ্যালঘু মুছলমান লোকৰ ওচৰত ভোট ভিক্ষা কৰিবলৈ বাধ্য হৈছে। আগন্তুক পঞ্চায়ত নিৰ্বাচনত নিশ্চিত পৰাজয় হব বুলি জানি এতিয়া দলীয় প্ৰতীক লৈ নিৰ্বাচনত অৱতীৰ্ণ হবলৈ সাহস পোৱা নাই হিমন্ত বিশ্ব শৰ্মাই । পৰাজয়ৰ ভয়তে তেওঁ সংবিধান উলংঘা কৰি হলেও পঞ্চায়ত নিৰ্বাচন পিছুৱাই নিবলৈ বাধ্য হৈছে বুলিও কয় ৰকিবুল হুছেইনে। তেওঁ নিজৰ ভাষণত আৰু কয় যে, পঞ্চায়ত প্ৰতিনিধিৰ বাহিৰে কোনো হিমন্ত বিশ্ব শৰ্মাই অৰুণোদয় অথবা অন্য কোনো আঁচনি দিব নোৱাৰে। এনে ক্ষেত্ৰত আগন্তুক পঞ্চায়ত নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ অত্যাচাৰৰ বিৰুদ্ধে ভোটদান কৰি কংগ্ৰেছৰ প্ৰাৰ্থী সকলক জয়ী কৰাই আঁচনিৰ সুবিধা লবলৈ আহ্বান জনায় ৰাইজক। মূল্যবৃদ্ধিৰ কাৰণে অসমৰ জনতাই এতিয়া ক্ৰয় ক্ষমতা হেৰুৱাই পেলোৱাৰ সময়তে হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ লোক সকলে সম্পত্তি গঢ়াত ব্যস্ত হৈ পৰিছে বুলিও সমালোচনা কৰে । তেওঁ ৰাজ্যৰ খাটি খোৱা লোক সকলক প্ৰলোভিত কৰি ৰাজনৈতিক ক্ষমতা দখল কৰিলেও তেওঁৰ প্ৰলোভনৰ ৰাজনীতি আৰু বেছিদিন নাথাকিব বুলি কৈ ২০২৬ ত কংগ্ৰেছে চৰকাৰ গঠণ কৰিব বুলি দৃঢ়তাৰে কয় । শ্ৰীসূৰ্যগিৰি ব্লক কংগ্ৰেছৰ সভাপতি আইনুল হক চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিধায়ক এ কে ৰছিদ আলম, প্ৰাক্তন বিধায়ক অশোক শৰ্মাও ভাষণ প্ৰদান কৰে। সভাত বিভিন্ন দলৰ পৰা দলত্যাগ কৰি শতাধিক লোকে কংগ্ৰেছত যোগদান কৰে।

# কামৰূপৰ বামুন্দীত প্ৰায় ১৭০ বছৰীয়া পৰম্পৰাগত সভাগন্ধ উৎসৱ

**ই-সংবাদ, হাজো, ১৯ জানুৱাৰীঃ** কামৰূপ জিলাৰ অন্তৰ্গত বামুন্দীত পৰম্পৰাগত সভাগন্ধ উৎসৱ। ঐতিহ্যপূৰ্ণ বামুন্দীত প্ৰতিবছৰে মাঘ মাহৰ পাঁচ আৰু ছয় তাৰিখে অনুষ্ঠিত কৰা হয় এই সভাগন্ধ উৎসৱ। মাঘ মাহৰ আৰম্ভণিতে অগ্নি দেৱতাক পূজা কৰাৰ পিছতে পূৰণি এই পৰম্পৰা অক্ষুণ্ণ ৰাখি বামুন্দীৰ ৰাইজে অনুষ্ঠিত কৰে এই সভাগন্ধ। এই উৎসৱত ভগৱান বিষ্ণুৰ বাবে হোমাঞ্জলি দিয়াৰ সমান্তৰালভাৱে সভাগন্ধলৈ অহা ভিন্ন প্ৰান্তৰ লোক সকলক ভিন্ন খাদ্য সামগ্ৰীৰে সিধা দিয়াৰ পৰম্পৰা। এই সিধাত তেওঁলোক আগবঢ়াই চাউল, খৰি, বেঙেনা, লাও, আলু, মচলা ইত্যাদি। আৰু এই আগবঢ়াবলগীয়া সামগ্ৰী বোৰ গাওঁখনৰ প্ৰতিটো পৰিয়ালে আগৰে পৰাই সভাগন্ধৰ ভঁৰাল ঘৰত জমা দিয়ে। আনহাতে পাঁচ মাঘৰ দিনা পুৱাই অঞ্চলটোৰ বিলত জাল, পল আদি লৈ মাছ মাৰিবলৈ একত্ৰিত হয়। ৰাইজ বিলৰ পাৰত একত্ৰিত হোৱাৰ পিছতে 'জয় গোপাল গোসাঁইক চিন্তি হৰিবোল হৰিবোল' বুলি ধ্বনি দি মাছ ধৰিবলৈ নামে। আৰু সেই মাছ সন্ধিয়া ৰাইজৰ মাজত সিধাত বিতৰণ কৰা হয়। সন্ধিয়া ভঁৰাল ঘৰৰ লগত সাজি ৰখা ৰভাত ভিন্ন ৰীতি-নীতিৰে নিমন্ত্ৰিত গোসাঁই সকলৰ চৰণ ধুৱাই নিৰ্দিষ্ট আসনত বহুৱাই। আৰু এনেদৰে ভিন্ন নীতি-নিয়মৰ পিছত আমন্ত্ৰিত গোঁসাই ভঁৰাল চুই কৰা মন্ত্ৰোচাৰণৰ পিছতে সিধা দিয়া আৰম্ভ হয়। এইবেলিও একেদৰেই সহস্ৰাধিক লোকক এই সিধা দিয়া হয়। এই সিধা গ্ৰহণ কৰি ওচৰ চুবুৰীয়া গাওঁৰ ৰাইজে কোনোৰে যদি ঘৰলৈ লৈ আনে আন কোনোৱে আকৌ বামুন্দী অঞ্চলৰ কোনো এঘৰৰ চোতালত গৈ নিসংকোচে ৰান্ধি খায়। এই প্ৰথা অনুযায়ী বামুন্দী অঞ্চলৰ প্ৰতিঘৰ লোকে ওচৰ চুবুৰীয়া এই লোকসকলক সকলো ধৰণৰ সহায়-সহযোগ কৰে।

# জাকিৰ হুছেইন সৰকাৰৰ আকস্মিক মৃত্যু!



**ই-সংবাদ, চাপৰ, ১৯ জানুৱাৰীঃ** শদিয়া সমজিলাৰ অন্তৰ্গত তালাপ বালিবজাৰ নিবাসী, তালাপ নগৰ উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজসেৱক প্ৰয়াত তাৰিণী প্ৰসাদ শৰ্মাৰ সহধৰ্মিণী তথা তালাপ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, তালাপ নগৰ ব্যৱসায়ী সন্থাৰ সম্পাদক, বিশিষ্ট সমাজসেৱক সীমান্ত শৰ্মাৰ মাতৃ সৰবৰহী, ধৰ্মপ্ৰাণা মহিলা কামাখ্যা শৰ্মা (৭৮) ৰ বাৰ্ধক্যজনিত কাৰণত আজি পুৱাৰ ভাগত নিজা বাসভৱনত দেহাৱসান ঘটে। বৃহত্তৰ তালাপ অঞ্চলৰ বিভিন্ন সামাজিক, ধৰ্মীয় অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত সুপৰিচিতা কামাখ্যা শৰ্মাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বৃহত্তৰ তালাপ অঞ্চলৰ বহুসংখ্যক গুণমুগ্ধই তালাপস্থিত বাসগৃহত আহি ভিৰ কৰে। মৃত্যুৰ সময়ত প্ৰয়াত কামাখ্যা শৰ্মাই পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, জোঁৱাই আৰু নাতি-নাতিনীক ইহসংসাৰত এৰি থৈ গৈছে। কামাখ্যা শৰ্মাৰ মৃত্যুত তালাপ নগৰ ব্যৱসায়ী সন্থা, তালাপ আঞ্চলিক যুৱক সংঘ, তালাপ শাখা সাহিত্য সভা, উত্তৰণ- এক সাংস্কৃতিক যাত্ৰা, ছৈখোৱা প্ৰেছ ক্লাব, ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থা, হালালী যুৱ মঞ্চ, সোণোৱাল-কছাৰী ছাত্ৰ সন্থাকে আদি কৰি বহুসংখ্যক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। কামাখ্যা শৰ্মাৰ মৃত্যুত শোকৰ ছাঁ পৰে।

# ৰঙিয়াত নেহৰু যুৱ কেন্দ্ৰৰ কামৰূপৰ উদ্যোগত পথ সুৰক্ষা প্ৰশিক্ষণ অনুষ্ঠিত

**ই-সংবাদ, ৰঙিয়া,১৯ জানুৱাৰীঃ** ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰালয়ৰ অধিনস্থ সংস্থা নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ উদ্যোগত আজি ৰঙিয়া নগৰত পথ সুৰক্ষা প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।স্বেচ্ছাসেৱী অনুষ্ঠান সমৃদ্ধি আৰু জিলা পৰিবহণ কাৰ্যালয় -কামৰূপৰ সহযোগত ১৭ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ ৰূপায়ণ কৰি অহা সজাগতা মূলক কাৰ্যসূচীৰ অংশ হিচাবে ৰূপায়িত প্ৰশিক্ষণ কাৰ্যৰ লগতে পথাচাৰী সকলৰ মাজত সজাগতা মূলক পত্ৰিকা বিতৰণ কৰা হয়। নেহৰু যুৱ কেন্দ্ৰ কামৰূপৰ গাণনিক বিষয়া গোপীনাথ দাসৰ তত্বাৱধানত অনুষ্ঠিত কাৰ্যসূচীত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত প্ৰশিক্ষক হীতেন্দ্ৰ শৰ্মা ,ৰঙিয়া থানাৰ পৰিবহণ বিভাগৰ কৰ্মচাৰীৰ লগতে স্থানীয় বিভিন্ন বাহনৰ চালক সকলেও অংশগ্ৰহণ কৰে

# নগাঁৱৰ বৰক'লাত পথৰ দাঁতিত উদ্ধাৰ ব্যৱসায়ীৰ মৃতদেহ

**ই-সংবাদ, বেবেজীয়া, ১৯ জানুৱাৰীঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৱৰ্তী বৰক'লাত দেওঁবাৰে পথৰ দাঁতিতে ৰহস্যজনকভাৱে এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে । উদ্ধাৰ হোৱা মৃতদেহটো বৰক'লাৰ নাঁতি দুৰৰ দক্ষিণপাটৰ সত্ৰচুকৰ নিবাসী ব্যৱসায়ী দেৱেন শৰ্মাৰ বুলি ইতিমধ্যে চিনাক্ত কৰা হৈছে । আচলতে, উক্ত পথটোৱে যোৱা পথচাৰীয়ে মৃতদেহটো পথৰ কাষতে পৰি থকা প্ৰত্যক্ষ কৰাত এক হুৱাদুৱা পৰিস্থিতিৰ উদ্ভৱ হয় আৰু সেইস্থানত বহুলোকৰ সমাগম হয় । পিছত স্থানীয় আৰক্ষীক এই বিষয়ে অৱগত কৰাত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে । উল্লেখ্য যে, ঘটনাস্থলীত মৃতদেহৰ কাষতে উদ্ধাৰ কৰা হৈছে ব্যৱসায়ীজনে ব্যৱহাৰ কৰা মটৰ চাইকেলখন । ব্যৱসায়ীজনৰ মৃত্যুৰ কাৰণ অদ্যপি স্পষ্ট হোৱা নাই যদিও স্থানীয় ৰাইজে ব্যৱসায়ীজন হত্যাৰ বলি হোৱা নাইবা দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আকোঁৱালি লোৱাৰ সন্দেহ প্ৰকাশ কৰিছে । অৱশ্যে মৰণোত্তৰ পৰীক্ষাৰ পিছত আৰক্ষীৰ সঠিক তদন্ততহে প্ৰকৃত সত্য পোহৰলৈ আহিব ।

# ঐতিহাসিক শ্ৰীশ্ৰী নৰোৱা নাতি আতা সত্ৰৰ নৱনিৰ্মিত বাটচ'ৰা মুকলি



**ই-সংবাদ, বেবেজীয়া, ১৯ জানুৱাৰীঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱাৰ পূৱ দিশত ভেটিয়নী গাঁৱত হৰেন্দ্ৰ দেৱ গোস্বামীয়ে ১৮১৬ চনত প্ৰতিষ্ঠা কৰা এখনি ঐতিহ্যমণ্ডিত সত্ৰ হৈছে শ্ৰীশ্ৰী নৰোৱা নাতি আতা সত্ৰ । ঐতিহাসিক এই সত্ৰখনিৰ নৱনিৰ্মিত বাটচ'ৰাটি দেওঁবাৰে মুকলি কৰা হয় । তদুপলক্ষে সত্ৰখনিৰ চৌহদত পুৱাৰে পৰা ভকত-বৈষ্ণৱ, আইমাতৃসকলৰ উপস্থিতিৰে উদুলি-মুদুলি পৰিবেশৰ সৃষ্টি হয় । কাৰ্যসূচী অনুসৰি পুৱা প্ৰাতঃপ্ৰসংগ, আইসকলৰ নাম, খোল-প্ৰসংগ আৰু ভাগৱত ভ্ৰমণ কাৰ্যসূচী ৰূপায়ণ কৰা হয় । দুপৰীয়া এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত আইসকলৰ উৰুলি, ভকতসকলৰ হৰিধ্বনিৰ লগতে গায়ন-বায়নৰ দ্বাৰা পৰিবেশিত মাংগলিক ধ্বনিৰ মাজেৰে বাটচ'ৰাটি আনুষ্ঠানিকভাৱে মুকলি কৰে সত্ৰাধিকাৰ প্ৰণৱ দেৱ গোস্বামীয়ে । এই অনুষ্ঠানত ডেকা সত্ৰাধিকাৰ অৰূপ গোস্বামী, আইমাতৃ কিৰণ বালা গোস্বামী, মুকুতা গোস্বামী, সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক বীৰেণ শইকীয়া, উপেন শইকীয়া গায়ন, ললিত শইকীয়া, জোনাৰাম শইকীয়া, বাপন হাজৰিকাকে আদি কৰি পাঁচ শতাধিক ভকত-বৈষ্ণৱ আৰু আইমাতৃ উপস্থিত থাকে । ইয়াৰ পিছতে নাম-কীৰ্তন, ভাগৱত পাঠ আদি অনুষ্ঠিত কৰা হয় ।

# বাক্সাৰ আঠিয়াবাৰীত তৃতীয় বাৰ্ষিক গীতা জয়ন্তী মহোৎসৱ আৰম্ভ

**ই সংবাদ, মুছলপুৰ, ১৯ জানুৱাৰীঃ** বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী আঠিয়াবাৰীত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে তৃতীয় বাৰ্ষিক গীতা জয়ন্তী মহোৎসৱ । কাৰ্যসূচী অনুসৰি ৰাতিপুৱা বন্তি প্ৰজ্বলন, প্ৰসঙ্গ, ভাগৱত পাঠ ইত্যাদি কাৰ্যসূচীৰ অন্তত ধৰ্ম ধ্বজা উত্তোলন কৰে বজালী আধ্যাত্মিক গীতা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি বসন্ত তালুকদাৰে । তাৰপিছতে শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী প্ৰভুৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ন কৰে । ইয়াৰ পিছতে অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই এনে কাৰ্যক্ৰমৰ মাজেৰে আধ্যাত্মিকতাৰ প্ৰতি নৱ প্ৰজন্মৰ উৎসাহ বাঢ়ে বুলি মন্তব্য কৰে । ইফালে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য ড° অমলেন্দু চক্ৰবৰ্তী আৰু যুৱ বক্তা হিচাপে উপস্থিত থাকি সত্ৰৰ সেৱক নাৰায়ণ ৰয়ে সাৰুৱা আৰু সময়োপযোগী ভাষণ ৰাখে । সন্ধিয়া শিল্পী গোপেশ চৌধুৰীয়ে উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানত বহুকেইখন আধ্যাত্মিক গীতা সত্ৰৰ শিল্পীৰ দ্বাৰা বিশেষ সংস্কৃতি প্ৰদৰ্শন আৰু স্থানীয় শিল্পীৰ গীত পৰিৱেশনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ সামৰণি পৰে ।

# ডিব্ৰুগড়ত জননেতা ৰমেশ চন্দ্ৰ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত চিত্ৰাংকন প্ৰতিযোগিতা



**ই-সংবাদ, ডিব্ৰুগড়, ১৯ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ অন্যতম জননেতা ৰমেশ চন্দ্ৰ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত আজি (১৯-১-২৫) স্থানীয় ডিব্ৰুগড়ৰ আমোলাপট্টিত থকা ছল্টব্ৰুক বিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহা হৈছে। জননেতা ৰমেশ চন্দ্ৰ বৰুৱাই ১৯৬৭ চনৰ পৰা ১৯৭১ চনলৈকে অসমৰ যোগান, বাণিজ্য আৰু আবকাৰী মন্ত্ৰী হিচাপে অসম মন্ত্ৰী সভাত সেৱা আগবঢ়ায়। ২০১৩ চনৰ পৰা প্ৰতিবছৰে বিভিন্ন অনুষ্ঠানৰ লগতে চিত্ৰাংকন প্ৰতিযোগিতাও অনুষ্ঠিত কৰি আহিছে সমিতিখনিয়ে। আজি অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰায় ৩০০ ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। প্ৰতিযোগীতাৰ আৰম্ভণিতে জননেতা গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে স্মৃতিৰক্ষা সমিতি তথা ন্যাসৰ সদস্য আৰু পৰিয়ালবৰ্গই। ন্যাসৰ আহ্বায়ক, শিল্পী পেঞ্চনাৰ ছদৰ উদ্দিন আহমেদে প্ৰতিযোগিতাখনি আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থাকে ডাঃ ইন্টিকাবুৰ ৰহমান, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ডঃপৰমানন্দ মহন্ত, জনানেতা গৰাকীৰ বৰবোৱাৰী ইন্দিৰা বৰুৱা, পুত্ৰ ৰঞ্জিত কুমাৰ বৰুৱা, কানৈ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ধীৰেন্দ্ৰ নাথ বৰুৱা, বিতোপন চলিহা, বাগ্মীবৰ নীলমণি ফুকন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চেহিৰ আহমদ, অনিল দুৱৰাৰ লগতে সমিতিৰ সদস্য সকল।

# সাহপুৰীয়া কেচি এল পি স্কুলৰ সোণালী জয়ন্তী

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৯ জানুৱাৰীঃ** যোৰহাট জিলাৰ উত্তৰ-পশ্চিম শিক্ষা খণ্ডৰ সৰুচৰাই মণ্ডলৰ এলেকাভুক্ত সাহপুৰীয়া কে চি এল পি স্কুলৰ বৰ্ষজোৰা সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠান এপ্ৰিলত অনুষ্ঠিত হ'ব। ১৯৭৪ চনৰ পহিলা এপ্ৰিলত শিক্ষা আৰম্ভ কৰা বিদ্যালয়খনৰ সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠান ২০২৫ ৰ পহিলা এপ্ৰিলত অনুষ্ঠিত কৰিব। সভাপতি ৰীতামণি শইকীয়া, সম্পাদক পৰাণ জ্যোতি কলিতাক লৈ গঠিত সমিতিখনৰ ১৯ এপ্ৰিলত অনুষ্ঠিত সভাত এই সিদ্ধান্ত লোৱাৰ লগতে সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰো পৰিকল্পনা কৰিছে। ১ এপ্ৰিলৰ পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৫ এপ্ৰিলত মুকলি সভাৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। ১৯৭৪ চনৰ পৰা ২০২৫ চনলৈকে অধ্যয়ন কৰা আৰু দেশৰ বিভিন্ন স্থানত থকা প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাৰ্থীসকলৰ সহযোগিতা আৰু উপস্থিতি উদযাপন সমিতিখনে কামনা কৰিছে।

## ভক্তিৰসত বুৰ যাব যোৰহাট, নামঘৰৰ আসন প্ৰতিষ্ঠা প্ৰস্তুতি সম্পূৰ্ণ

# ম'হবন্ধাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন



**ই-সংবাদ, পশ্চিম যোৰহাট, জানুৱাৰীঃ** পশ্চিম যোৰহাটৰ প্ৰতিবেদক, ১৯ জানুৱাৰী : শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন যোৰহাটৰ পশ্চিম দিশৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ ম'হবন্ধা এৰালতলি পথাৰৰ 'বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰ'ত ৬-৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। নামঘৰৰ আসন প্ৰতিষ্ঠা আজি কৰে সংঘৰ কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক বিভাগৰ সভাপতি পবিত্ৰ প্ৰাণ বৰাই। তাৰপাছতে সংঘৰ সংগীসকলে নাম-প্ৰসংগ কৰে আৰু প্ৰসাদ বিতৰণ কৰে। এই নামঘৰত অধিৱেশনৰ শেষৰ দিনালৈকে নাম-প্ৰসংগ কৰাৰ লগতে অবিৰতভাৱে ভাগৱত ব্যাখ্যা কৰিব। অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি ডক্টৰ নবীন চন্দ্ৰ বৰাই জনোৱা মতে, অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। তিনিশ ফুট দীঘল, ডেৰশ ফুট বহল প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। এই পেণ্ডেলত আঠ হেজাৰ লোক বহিব পৰাকৈ চকী থাকিব। তদুপৰি, মঞ্চ নিৰ্মাণৰ কামো প্ৰায় সম্পূৰ্ণ হৈছে। ভোজনালয়ত দহ হেজাৰ লোকে একেলগে আহাৰ গ্ৰহণ কৰিব পৰাকৈ সাজু কৰি তোলাৰ লগতে দুশ চৌকাত ৰন্ধন প্ৰকৰণৰ বাবে সাজু কৰা হৈছে ৰন্ধনশালা। গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীত অংশগ্ৰহণৰ বাবে পাঁচশ বিপণী আৰু প্ৰতিষ্ঠানে সন্মতি জনাইছে। দুশ পঞ্চাশ ফুট দীঘল, সত্তৰ ফুট বহলকৈ দুশটা শিবিৰ নবা, বাঁহ যোগাৰ কৰি জিলাখনৰ ১৬ খন আঞ্চলিক সমিতিয়ে নিৰ্মাণ কৰিলে। ৩৭ নং ৰাষ্ট্ৰীয় পথটোৰ দুয়োপাৰে ভকত-বৈষ্ণৱসকল অহা যান-বাহন ৰাখিবৰ বাবে সাজু কৰি তোলা হৈছে। গধুৰ যান-বাহন পৃথককৈ ৰাখিবৰ বাবে সাজু কৰি তোলাৰ উপৰি সৰু যান-বাহন অধিৱেশনস্থলীৰ সমীপতে ৰখাৰ ব্যৱস্থা পৃথককৈ কৰা হৈছে। অধিৱেশনস্থলীৰ মধ্যম স্থানতে অইল পাইপ লাইন থকাত কোনো নিৰ্মাণ কাৰ্য কৰা নাই। এই পাইপ লাইনেৰে জনসাধাৰণ অহা-যোৱা কৰিব পৰাকৈ সাজু কৰি তোলা হৈছে। দহ হেজাৰ স্বেচ্ছাসেৱকে অধিৱেশনলৈ অহা ভকত-বৈষ্ণৱ আৰু দৰ্শনাৰ্থীসকলক সেৱা শুশ্ৰূষাৰ বাবে সাজু হৈছে। আৰক্ষী আৰু প্ৰশাসনে নিজাববীয়াকৈ শৃংখলিত কৰাৰ বাবে পৰিকল্পনা কৰিছে। অধিৱেশনস্থলী শক্তি বিভাগে ইতিমধ্যে পোহৰাই তুলিছে। ৩৭ নং ৰাষ্ট্ৰীয় পথৰ সমীপতে অধিৱেশনস্থলী হোৱাত পথ যাতায়াতৰ ব্যৱস্থাৰ উপৰি ৰে'লেৰে অহাসকলক যোৰহাট, মৰিয়নি, ভালুকমৰা, ম'হবন্ধাত আদৰণী জনোৱাৰ উপৰি উৰাজাহাজেৰে অহাসকলক ৰৌৱিয়াত আদৰণী জনোৱাৰ ব্যৱস্থাও আদৰণী সমিতিয়ে কৰিছে। অধিৱেশনস্থলীত জিলাখনৰ ধৰ্ম, জাতি, বৰ্ণ নিৰ্বিশেষে অসংখ্য লোকে নিতৌ শ্ৰম দান কৰি আছে। আজি নামঘৰৰ আসন প্ৰতিষ্ঠা অনুষ্ঠানত অগণন লোক উপস্থিত থাকে।

# জ্যোতি দিৱসত গীত, কবিতা, সংলাপ প্ৰতিযোগিতাত স্থানপ্ৰাপ্তক পুৰস্কাৰ প্ৰদান

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৯ জানুৱাৰীঃ** পশ্চিম যোৰহাট শাখা লেখিকা সমাৰোহ সমিতিয়ে ১৭ জানুৱাৰীত পুলিবৰ নৱোদয় সাৰ্বজনীন দুৰ্গা পূজা মন্দিৰত শিল্পী দিৱস পালন কৰে। প্ৰাক্তন সভানেত্ৰী মিনু শৰ্মাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। উপস্থিত থকা সদস্যাসকলেও শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদস্যাসকলে জ্যোতি সংগীত সমবেতভাৱে পৰিৱেশন কৰাৰ পাছতে স্থায়ী সভানেত্ৰী ৰাণু বৰঠাকুৰৰ সঞ্চালনাত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা ডক্টৰ অঞ্জলি শৰ্মা গোস্বামীয়ে। দিৱসৰ লগত সংগতি ৰাখি জ্যোতিপ্ৰসাদে লেখা গীত, কবিতা আৰু নাটকৰ সংলাপ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সংগীতত অমৃতা গোস্বামীয়ে প্ৰথম, নিভা খাউণ্ডে দ্বিতীয়, নীলাক্ষী সভাপণ্ডিতে তৃতীয়, কবিতা আবৃত্তিত ৰূপা ৰাজখোৱাই প্ৰথম, অমৃতা গোস্বামীয়ে দ্বিতীয়, মৃদুলা শৰ্মাই তৃতীয়, সংলাপত ৰূপা ৰাজখোৱাই প্ৰথম, ৰেখা বৰাই দ্বিতীয়, দিপীকা বৰুৱাই তৃতীয় স্থান লাভ কৰাত পুৰস্কাৰ প্ৰদান কৰে। প্ৰাক্তন সভানেত্ৰী, সম্পাদিকাৰ উপৰি শাখাৰ সদস্যাসকল উপস্থিত থাকে।

# আজলী আই থানৰ বাৰ্ষিক থানসেৱা উৎসৱ সম্পন্ন

**ই-সংবাদ, মাজুলী, ১৯ জানুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, গোপালদেৱ,অনিৰুদ্ধ দেৱ আদি মহান গুৰুসকলৰ পুণ্যভূমি অসমত বৰদোৱা, বৰপেটা মাজুলীকে মুখ্য কৰি অলেখ আধ্যাত্মিক স্থান শদিয়াৰ পৰা ধুবুৰীলৈকে ব্যাপ্ত হৈ আধ্যাত্মিক ক্ষেত্ৰ হিচাবে জিলিকি আছে। এই ক্ষেত্ৰত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱে প্ৰতিষ্ঠা কৰা মায়ামৰা সত্ৰৰ প্ৰায় দুকুৰিৰো অধিক সত্ৰানুষ্ঠানে কাল সংহতি ধাৰাটো সাম্প্ৰতিক সময়তো সমৃদ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছে। এটা সময়ত সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ, তেওঁৰ ভাতৃ আৰু পুত্ৰসকলে মায়ামৰা থুলৰ, বা-ভগা,গুণাকটা,সাৰজান আদি সত্ৰ প্ৰতিস্থা কৰি সেইসময়ত সমাজৰ উপেক্ষিত আৰু অনাদৃত বিশেষকৈ কৈৱৰ্ত জনগোষ্ঠীৰ লোকসকলক ভক্তি ধৰ্মলৈ আদৰি আনি এখন শৃংখলাবদ্ধ আৰু সমন্বয়ৰ বৰসমাজ গঢ়াৰ যত্ন কৰিছিল। ইয়াৰ ইতিহাস আৰু ঐতিহ্যৰ চিনস্বৰূপে মাজুলীৰ জিলাৰ বৰ্তমান মেখেলিগাওঁত শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱৰ মাতৃৰ নামেৰে আজলীআই থানে ইয়াৰ সাক্ষ্য বহন কৰি আহিছে। ১৬০১ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত এই থানখনত অতীজৰে পৰা মাঘমাহৰ প্ৰথমটো দেওবাৰত থানৰ সমীপৰ ঠাকুৰবাৰী, কাশেনচোৰা, বালিচাপৰি, কাঠনিআটি, ভুৰামৰা আদিৰ আইসকলে সামূহিক নামৰ যোগেদি থানত সেৱা আগবঢ়াই আহিছে। বৰ্তমান প্ৰতিবছৰে মাঘমাহৰ প্ৰথম দেওবাৰে অনুষ্ঠিত হোৱা সামূহিক "থানসেৱা" উৎসৱত অসমৰ ১৪ খন জিলাত সিচৰিত হৈ থকা মায়ামৰা ভক্তসকলৰ উপৰি জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে লক্ষাধিক ভক্তৰ অংশগ্ৰহণৰে এখন অনন্য সুন্দৰ পুণ্যধামলৈ পৰ্যবেশিত কৰিছে। এই থানত শৰাই আগবঢ়াই সেৱা কৰিলে ভক্তৰ মনৰ কামনা পুৰ হয় বুলি লোক বিশ্বাস আছে। এই শ বছৰীয়া পৰম্পৰা অক্ষুন্ন ৰাখি আজি মাঘ মাহৰ প্ৰথমটো দেওবাৰত মায়ামৰা সমাজৰ আদ্যগুৰু অনিৰুদ্ধ দেৱৰ মাতৃ আজলী আই (বা ভগা) থান সত্ৰৰ বাৰ্ষিক থানসেৱা উৎসৱ মায়ামৰা আজলী আই থানত সম্পুৰ্ন ধৰ্মীয় পৰম্পৰাৰে অনুস্থিত হয়। ৮.৩০ বজাত মায়ামৰা অজলী আই বা ভগা থান সত্ৰৰ পাতাকা উত্তোলন কৰে মায়ামৰা খুটিয়া পোতা সত্ৰৰ অধিকাৰ পৰমানন্দ গোস্বামীয়ে। ৯ বজাত স্মৃতি তৰ্পন কৰে জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যাপক বিনোদ দাসে। ১০ বজাত গাওঁ সমূহৰ ৰাইজে ভাগৱত শোভাযাত্ৰা কৰি আহি থানসত্ৰত উপস্থিত হোৱাৰ পিছতেই ভাগৱত স্থাপন কৰে। ১১ বজাৰ পৰা নাম প্ৰসংগ আৰু ধৰ্মালোচনী সভা অনুস্থিত হয়। অনুস্থানত মাজুলীৰ উপৰি অসমৰ উত্তৰ আৰু দক্ষিনপাৰৰ ১৪ খন জিলাৰ মায়ামৰা সমাজৰ প্ৰায় ৩০ হাজাৰ লোকে অংশ গ্ৰহন কৰি নাম প্ৰসংগ আৰু গায়ন বায়নেৰে আজলী আই থানক্ষেত্ৰক দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত কৰে। প্ৰতিগৰাকী ভক্তই থানত চাকি, ধূপ, অৰিহণা দি আশীষ গ্ৰহণ কৰে। বিপুল জনসমাগম হোৱা অনুস্থানটিত বিদেশী পৰ্যটকেও অংশগ্ৰহণ কৰি উপভোগ কৰে। বিয়লি প্ৰসাদ বিতৰণেৰে বাৰ্ষিক থানসেৱা উৎসৱৰ দিনজোৰা কাৰ্যসূচী সামৰণি পৰে। ভক্তসকলক ধন্যবাদ জ্ঞাপন কৰিছে থান পৰিচালনা সমিতিৰ সভাপতি কুমুদ দাস আৰু কাৰ্যকৰী সভাপতি ডিম্বেশ্বৰ দাসে।

# টেংকাৰ বিস্ফোৰণ, নাইজেৰিয়াত নিহত ৭০

**নাইজাৰ, ১৯ জানুৱাৰীঃ** নাইজেৰিয়াত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। দেশখনৰ উত্তৰ-মধ্য প্ৰান্তত তেলৰ টেংকাৰ বিস্ফোৰণ হোৱাৰ ফলত কমেও ৭০জন লোক নিহত হৈছে বুলি জানিব পৰা গৈছে। দেশখনৰ জৰুৰীকালীন সাঁহাৰি সংস্থাই জনোৱা অনুসৰি শনিবাৰে নাইজাৰৰ চুলেজা অঞ্চলৰ ওচৰত এই বিস্ফোৰণ সংঘটিত হয়, যেতিয়া কিছুমান লোকে জেনেৰেটৰ ব্যৱহাৰ কৰি এখন টেংকাৰৰ পৰা আন এখন ট্ৰাকলৈ গেছ'লিন স্থানান্তৰ কৰিবলৈ চেষ্টা কৰি আছিল। ৰাষ্ট্ৰীয় জৰুৰীকালীন ব্যৱস্থাপনা সংস্থাৰ মুছেইনি ইছাই কয় যে, বিস্ফোৰণটো ইন্ধন স্থানান্তৰৰ ফলত সংঘটিত হৈছে। যাৰ ফলত গেছ'লিন স্থানান্তৰকাৰীৰ লগতে তাত উপস্থিত থকা লোকৰ মৃত্যু হৈছিল। বৰ্তমানো অব্যাহত আছে উদ্ধাৰ অভিযান। এই সন্দৰ্ভত নাইজাৰৰ গভৰ্ণৰ মহম্মদ বাগোৱে কয় যে, ৰাজ্যখনৰ ডিক্কো অঞ্চলৰ কেইবাজনো বাসিন্দা গেছ'লিন টেংকাৰৰ পৰা ইন্ধন উলিয়াবলৈ চেষ্টা কৰি থকা অৱস্থাত এক প্ৰচণ্ড বিস্ফোৰণ হয়। বাগোৱে কয়, “বিস্ফোৰণত অগ্নিদগ্ধ হৈ বহতো লোকৰ মৃত্যু হয়। যিসকল টেংকাৰৰ ইমান ওচৰত নাছিল তেওঁলোক কিছু আঘাতপ্ৰাপ্ত হয় আৰু চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।” তেওঁ এই ঘটনাটোক হৃদয়বিদাৰক আৰু দুৰ্ভাগ্যজনক আখ্যা দিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও দেশখনত পেট্ৰ'ল টেংকাৰ বিস্ফোৰণৰ ঘটনা সংঘটিত হৈছিল।

# শিৱসাগৰ বেতবাৰীত সুশান্ত বৰগোঁহাইক বিপুল সম্বৰ্ধনা, ৫ শতাধিকৰ বিজেপিত যোগদান



**ই-সংবাদ, শিৱসাগৰ, ১৯ জানুৱাৰীঃ** "অহা পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত ৰাইজ উন্নয়নৰ পক্ষত থাকিব। পঞ্চায়ত নিৰ্বাচনত বিৰোধীয়ে প্ৰাৰ্থী বিচাৰি পাব নে নাই সন্দেহ আছে। সততে আন্দোলন, প্ৰতিবাদ কৰিবলৈ উচতাই থকা সকলৰ লগত নাথাকে ৰাইজ। আন্দোলন কৰাসকলে মাটিৰ পট্টাই হওক বা আন সুবিধাই হওঁক, একো নিদিয়ে। আমি ৰাইজৰ বাবেই কাম কৰো, আমাৰ চৰকাৰে উন্নয়ন আৰু বিকাশৰ বাবে সকলো কাম কৰি যাব।" আজি শিৱসাগৰ বেতবাৰী মিঠাপুখুৰী ৰংগমঞ্চত অনুষ্ঠিত বিজেপিৰ এখন বিশাল যোগদান সভাত এই মন্তব্য কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোঁহাইয়ে। ডিমৌ সমষ্টিৰ খেলুৱা মণ্ডল বিজেপিৰ উদ্যোগত অনুষ্ঠিত সভাত বিধায়কগৰাকীয়ে লগতে বিজেপি চৰকাৰে কেতিয়াও দুৰ্নীতি-অনিয়মক প্ৰশ্ৰয় নিদিয়ে বুলি উল্লেখ কৰি কয়, "বিজেপিক এই কাৰণেই শক্তিশালী কৰিব লাগে যে এই চৰকাৰৰ দিনত কোনো মন্ত্ৰী-বিধায়কৰ ঘৰত চাকৰি বিক্ৰী নহয়। যোগ্যতাৰ ভিত্তিত নিযুক্তি দিয়া হয়। বহু দৰিদ্ৰ পৰিয়ালৰ সন্তানে এক টকা খৰচ নকৰাকৈ যোগ্যতা অনুসৰি চাকৰি পাইছে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত। বিজেপিক এই কাৰণে শক্তিশালী কৰিব লাগে যে দেশ, ৰাজ্য সম্পূৰ্ণ সুৰক্ষিত হৈ থাকিব। বিজেপিক এই কাৰণেই শক্তিশালী কৰক যে উন্নয়ন আৰু বিকাশৰ ধাৰা যাতে অব্যাহত থাকে।" বৰ্তমান বিধায়কে স্বাক্ষৰ কৰি দিলেই ঘৰ নাপায়, পঞ্চায়তৰ নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰেহে ঘৰ লাভ কৰে বুলিও উল্লেখ কৰে সুশান্ত বৰগোঁহাইয়ে। অন্যহাতে বেতবাৰী মৌজাত সোনকালে ৫০০ মানুহ একেলগে বহিব পৰা এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ চিন্তা কৰা হৈছে বুলি সদৰি কৰে। ইয়াৰ উপৰিও শিৱসাগৰ সমষ্টিৰ পৰা যিকেইখন পঞ্চায়ত এলেকা ডিমৌ সমষ্টিত অন্তৰ্ভুক্ত কৰা হৈছে সেই এলেকা সমূহত বৰ্তমান বহু উন্নয়নমূলক কাম হ'বলৈ গৈ থকা বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। তদুপৰি নিগমত এখন বিএড কলেজ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠাৰ উপৰিও সমষ্টিটোত এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে ইতিমধ্যে ভূমি আবন্টন দিয়াৰ কথা উল্লেখ কৰে। ইয়াৰ উপৰিও ৭-৮ মাহৰ পিছতে ভূমি পট্টা নথকা বহু পৰিয়ালক ভূমি পট্টা দিয়া হ'ব বুলিও জানিবলৈ দিয়ে সুশান্ত বৰগোঁহাইয়ে। ভাষণ প্ৰসংগত সুশান্ত বৰগোঁহাইয়ে আৰু কয় "বেতবাৰী মৌজাটো কিছুমান দিশত পিছপৰি আছে। এতিয়াৰে পৰা এই অঞ্চলৰ উন্নয়ন অধিক ত্বৰান্বিত কৰা হ'ব। আমাৰ পৰিকল্পনাই ভৱিষ্যত প্ৰজন্মক আগুৱাই যোৱাত সহায় কৰিব।" বিজেপিৰ খেলুৱা মণ্ডলৰ সভাপতি নৱ কুমাৰ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ সকলোতে উন্নয়ন আৰু বিকাশে চুই গৈছে বুলি উল্লেখ কৰি কয়, "বিজেপি চৰকাৰৰ দিনত যি বৈদেশিক নীতি গ্ৰহণ কৰা হৈছে সেই নীতিয়ে ভাৰতক যথেষ্ট শক্তিশালী কৰিছে। কংগ্ৰেছৰ ৬৫ বছৰীয়া শাসনত অসমত যিমান চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰিলে বিজেপি চৰকাৰ হোৱাৰে পৰা তাতকৈ বেছি চিকিৎসা মহাবিদ্যালয় হ'ল। ঠায়ে ঠায়ে কেঞ্চাৰ হস্পিটেল হ'ল। গাওঁ সমূহৰ বিদ্যালয় ,নামঘৰৰ আন্তগাঠনি বহুত উন্নত হ'ল।" সভাত জিলা সভাপতি বিতোপন ৰাইদঙীয়াই ভাষণ প্ৰদান কৰি যুৱ প্ৰজন্মই দেশ চলাব পৰাকৈ মোদী চৰকাৰে যুৱ প্ৰজন্মক গঢ়িবলৈ যথেষ্ট কাম কৰা বুলি দোহাৰে। কংগ্ৰেছৰ শাসন কাল কেৱল দুৰ্নীতি-ভ্ৰষ্টাচাৰেৰে ভৰা আছিল বুলিও সমালোচনা কৰে জিলা সভাপতি গৰাকীয়ে। মাতৃ বন্দনা, বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা উক্ত সভাতে শেহতীয়াকৈ বিধায়ক সুশান্ত বৰগোঁহাইক বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত কৰাত বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে খেলুৱা মণ্ডলৰ লগতে ডিমৌ সমষ্টিৰ বিভিন্ন মণ্ডল, বুথ কমিটি সমূহৰ বিষয়ববীয়া সকলে। সম্বৰ্ধনা গ্ৰহণ কৰি ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈ গৌৰৱ বোধ কৰাৰ লগতে এতিয়াৰে দায়িত্ব আৰু কৰ্তব্য, দায়বদ্ধতা অধিক বৃদ্ধি পালে বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। উক্ত সভাতে ৰাইজৰ দল, কংগ্ৰেছ আদি বিৰোধী ৰাজনৈতিক দল, জাতীয় সংগঠন, সৰ্বসাধাৰণ নাগৰিকসহ পাঁচ শতাধিক লোকে বিজেপিত যোগদান কৰে। শিৱসাগৰ নগৰ মহল পঞ্চায়তৰ ৰাইজৰ দলৰ বহু সংখ্যক বিষয়ববীয়া, সদস্যই পিন্ধে গেৰুৱা বসন। এই বৃহৎ সংখ্যক লোকৰ বিজেপিত যোগদানে দলটো অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত অসম চাহ নিগমৰ উপাধ্যক্ষ শিৱ ভদ্ৰা, বিজেপি নেতা ৰুবুল বৰা, যুৱ নেতা সমীৰণ বৰদলৈ, মনোজ বৰগোঁহাই সহ বহু সংখ্যক বিষয়ববীয়া উপস্থিত থাকে। লক্ষ্যণীয় যে বেতবাৰী মৌজাটো নতুনকৈ ডিমৌ সমষ্টিত অন্তৰ্ভুক্ত হোৱাৰ পিছৰে পৰা বিধায়ক সুশান্ত বৰগোঁহাইয়ে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। আজিৰ সভাত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ ভালেসংখ্যক কৰ্মীয়ে বিজেপিত যোগদান কৰা দৃশ্যই বিশেষ তাৎপৰ্য বহন কৰিছে।

# নগাঁৱত প্ৰিমিয়াৰ ক্লাবত জয় লাভ প্ৰৱাহ গোষ্ঠীৰ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৯ জানুৱাৰীঃ** অসম ক্ৰিকেট সন্থাৰ সৌজন্যত সপ্তম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ নগাঁৱৰ প্ৰথম ৰাউণ্ডৰ খেলসমূহ আজিৰে নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত আৰম্ভ হৈছে। নগাঁও ক্ৰীড়া সংস্থাৰ ক্লাষ্টাৰ-১ ৰ মুঠ-৮ টা ক্লাবৰ মাজত আয়োজিত এই প্ৰতিযোগিতাৰ আজিৰ উদ্বোধনী খেলত প্ৰবাহ গোষ্ঠীয়ে টাজউদ্দিন আহমেদৰ অনবদ্য শতৰাণৰ সহায়ত ত্ৰিনয়ন গোষ্ঠীক ছয় উইকেটত পৰাজিত কৰে। খেলখনত ত্ৰিনয়ন গোষ্ঠীয়ে টছত জিকি পোনতে বেট ধৰি ৪০ অভাৰত নটা উইকেট হেৰুৱাই ১৮০ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত প্ৰবাহ গোষ্ঠীয়ে টাজউদ্দিন আহমেদৰ-১০৪ ৰাণৰ উল্লেখনীয় অৱদানৰে ৩৫ অভাৰত চাৰিটা উইকেটৰ বিনিময়তে ১৮৪ ৰাণ সংগ্ৰহৰে বিজয় লাভ কৰে। ইপিনে, আজি পুৱা প্ৰাক্তন ক্ৰিকেটাৰ পৰিছজ্যোতি ভূঞাই আনুষ্ঠানিকভাৱে মুকলি কৰা নগাঁৱৰ খেলৰ শুভাৰম্ভণি অনুষ্ঠানত প্ৰাক্তন ৰঞ্জী ট্ৰফী খেলুৱৈ তপন কুমাৰ শৰ্মা, বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, উজ্জল বৰুৱা, অসীম কুমাৰ ভাৰাল, দেৱজিৎ দাস আদি উপস্থিত থাকে। ছাব্বিৰ আহমেদ আৰু বিকাশ সিং নাথ আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত প্ৰবাহৰ টাজউদ্দিন আহমেদক প্ৰাক্তন ক্ৰিকেটাৰ বিপ্লৱ চৌধুৰীয়ে প্লেয়াৰ অব দ্যা মেচৰ বঁটা বিতৰণ কৰে। সোমবাৰৰ খেলত ষ্টাৰ স্প'ৰ্টিং ক্লাবে বঢ়মপুৰ স্প'ৰ্টছ ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# ৰঙিয়াত দ্বৈত বেডমিণ্টন প্ৰতিযোগিতা

**ই-সংবাদ, ৰঙিয়া, ১৯ জানুৱাৰীঃ** ৰঙিয়াৰ তুলসীবাৰী যুৱক সংঘৰ সৌজন্যত স্থানীয় খেলপথাৰত ১৭ জানুৱাৰীৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত দ্বৈত বেডমিণ্টন প্ৰাইজমানি প্ৰতিযোগিতাৰ যোৱা নিশা সামৰণি পৰে। ২২ টাকৈ আমন্ত্ৰিত দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ চূড়ান্ত খেলত জগদীশ ৰামচিয়াৰী- বিকি চৌধুৰীৰ দলে প্ৰতিদ্বন্দ্বী হীৰণ চৌধুৰী-মহম্মদ আচিফৰ দলক পৰাজিত কৰি শ্ৰেষ্ঠ প্ৰতিযোগী ৰূপে বিবেচিত হয়। আনহাতে মেন অফ দ্য মেটচৰ খিতাপ অৰ্জন কৰে জগদীশ ৰামচিয়াৰীয়ে। ইয়াৰ পিছত অনুষ্ঠিত বটা বিতৰণী সভাত বিজয়ী আৰু বিজিত দলক ট্ৰফীসহ নগদ ধন প্ৰদান কৰে।



মুলতানত অনুষ্ঠিত প্ৰথম টেষ্টত ৱেষ্ট ইণ্ডিজৰ কেয়াচি কাৰ্টিৰ উইকেট দখলৰ পিছত উল্লাস পাকিস্তানৰ ছাজিদ খানৰ

## মুলতানৰ পিটচত বিধ্বস্ত কেৰিবিয়ান বাহিনীৰ বেটিং লাইন

# ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথম টেষ্টত পাকিস্তানৰ অগ্ৰগতি

**মুলতান, ১৯ জানুৱাৰীঃ** মুলতানত অনুষ্ঠিত হৈ থকা টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টতে পাকিস্তানৰ হাতত ১২৭ ৰানত বিধ্বস্ত হ'ল ৱেষ্ট ইণ্ডিজ। পাক স্পিনাৰৰ দুৰ্দান্ত প্ৰদৰ্শনত থৰকাছুটি হেৰুৱায় কেৰিবিয়ান বাহিনীয়ে। যাৰ পৰিণতিত মাত্ৰ আঢ়ৈ দিনতে খেলখন সম্পূৰ্ণ কৰি শৃংখলাত অগ্ৰগতি লাভ কৰিছে পাকিস্তানে। পাকিস্তানৰ এই অগ্ৰগতিৰ নায়ক হিচাপে পৰিগণিত হয় দুই স্পিনাৰ ছাজিদ খান আৰু নোমান আলী। মেচখনৰ মেন অৱ দ্য মেচ হয় ছাজিদ খান। উল্লেখ্য যে, মুলতান পিটছ স্পিনাৰৰ বাবে উত্তম হিচাপে পৰিগণিত হৈ আহিছে। প্ৰথমখন টেষ্টতো ইয়াৰ সম্পূৰ্ণ সুবিধা লয় পাকিস্তানে। প্ৰথমে বেটিং কৰিবলৈ ওলাই আহি পাকিস্তানে প্ৰথম ইনিংছত ২৩০ ৰান সংগ্ৰহ কৰে। ছাউদ শ্বাকিল (৮৪) আৰু মহম্মদ ৰিজৱান (৭১)ৰ বাহিৰে আন কোনোৱে কেৰিবিয়ান বলাৰসকলৰ সন্মুখত থিয় দিব নোৱাৰিলে। জেডেন চিলছ আৰু জোমেল ৱাৰিকনে ৩টাকৈ উইকেট দখল কৰে। কিন্তু ৱেষ্ট ইণ্ডিজেও ক্ৰিজত নামি মাত্ৰ ১৩৭ ৰানতে অল আউট হৈ পেভিলিয়নমুখী হয়। পাকিস্তানৰ স্পিন যুটি ছাজিদ খান (৪) আৰু নোমান আলী (৫)য়ে কেৰিবিয়ান বেটিং লাইনআপ ধ্বংস কৰে। আব্ৰাৰ আহমেদে এটা উইকেট দখল কৰে। দ্বিতীয় ইনিংছত মাত্ৰ ১৫৭ ৰানহে কৰে পাক বাহিনীয়ে। সৰ্বাধিক ৫২ ৰান সংগ্ৰহ কৰে শ্বাউন মাছুদে। ইফালে জোমেল ৱাৰিকনে ৱেষ্ট ইণ্ডিজৰ হৈ ৭টা উইকেট দখল কৰে। দ্বিতীয় ইনিংছত ৱেষ্ট ইণ্ডিজে ২৫১ ৰানৰ লক্ষ্য আগত লৈ ক্ৰিজত নামে। সময় থাকিলেও স্পিন ট্ৰেকে তেওঁলোকৰ বিপদ বৃদ্ধি কৰে। দ্বিতীয় ইনিংছত কেৰিবিয়ান দলে মাত্ৰ ১২৩ ৰান সংগ্ৰহ কৰি অল আউট হয়। ছাজিদ খানে ৫ উইকেট, আব্ৰাৰ আহমেদে ৪ উইকেট আৰু নোমান আলীয়ে এটা উইকেট দখল কৰি পাকিস্তানক জয়ৰ দিশে আগুৱাই লৈ যায়। ২৫ জানুৱাৰীত মুলতানত অনুষ্ঠিত হ'ব এই শৃংখলাৰ দ্বিতীয়খন টেষ্ট। এই মেচখনত জয়ী হ'বলৈ হ'লে কেৰিবিয়ানসকলে স্পিনক প্ৰতিহত কৰিবলৈ নতুন কৌশল উলিয়াব লাগিব।

# বটদ্ৰৱাত কাৰাটে চেম্পিয়নশ্বিপ সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ১৯ জানুৱাৰীঃ** নগাঁও জিলাৰ বটদ্ৰৱাত দেওঁবাৰে ৰাজ্যিক মাৰাটেকা ছিট'ৰিঅ' তৃতীয় আন্তঃ ক্লাব কাৰাটে চেম্পিয়নশ্বিপ সফলতাৰে সম্পন্ন হয়। বটদ্ৰৱাৰ ঐতিহাসিক সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বটদ্ৰৱা শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তই। চাব জুনিয়ৰ, কেডেট, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত নগাঁও, মৰিগাঁও, শিৱসাগৰ, কামৰূপ মেট্ৰ, কামৰূপ গ্ৰাম্য, বাক্সা, বৰপেটা আদি জিলাৰ মুঠ দুশগৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। মাৰাটেকা ছিট'ৰিঅ'ৰ মূখ্য প্ৰশিক্ষকদ্বয় চম্পক ডেকা আৰু জীতেন চৌধুৰী উপস্থিত থকা প্ৰতিযোগিতাখনিত নগাঁও জিলা কাৰাটে সন্থাৰ সম্পাদক ত্ৰিলোক শৰ্মা, সহঃ সম্পাদক তথা মাৰাটেকা ছিট'ৰিঅ'ৰ নগাঁও জিলাৰ মূখ্য প্ৰশিক্ষক ৰিকু কটকী, আমন্ত্ৰণমূলক কাৰাটে চেম্পিয়নশ্বিপ উদযাপন সমিতিৰ সভাপতি ভাস্কৰজ্যোতি বৰা, উপদেষ্টা গুণমনি কলিতা, কোষাধ্যক্ষ পাপু বৰুৱা, আদি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰতিযোগিতাত ৰাইদঙীয়াৰ কাৰাটে ড' একাডেমীয়ে প্ৰথম শ্ৰেষ্ঠ, নগাঁৱৰ জীৱন জ্যোতি কাৰাটে ড' একাডেমীয়ে দ্বিতীয় শ্ৰেষ্ঠ আৰু মৰিগাঁৱৰ বৰছিলা কাৰাটে ড' একাডেমীয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি